# সদৌ অসম ভিত্তিত
# ৰূপালীম একাঙ্কিকা নাট প্ৰতিযোগিতা
# ২০২৪ বৰ্ষ

লক্ষেশ্বৰ দাস স্মৃতি ন্যাসৰ উদ্যোগত

হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সহযোগত

হালোগাঁও ঃ কামৰূপ ঃ অসম

# ৰূপালীম

## একাঙ্কিকা নাট প্ৰতিযোগিতা

ঃ প্ৰকাশক ঃ

লক্ষেশ্বৰ দাস স্মৃতি ন্যাস
হালোগাঁও ঃ কামৰূপ ঃ অসম

প্ৰকাশ ঃ ৩ ফেব্ৰুৱাৰী, ২০২৪ খ্ৰীষ্টাব্দ

মূল্য ঃ ১০০.০০ টকা

অঙ্গসজ্জা ঃ
কৃষ্ণ গোহাঁই

বেটুপাত ঃ
নীলকমল বৈশ্য

মুদ্ৰক ঃ
টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেচন
বামুণীমৈদাম, গুৱাহাটী— ৭৮১০২১

# সোঁৱৰণ...



স্বৰ্গীয় শশাংক দাস কলিতা



# সূচীপত্ৰ


- *দীনমণি ভাণ্ডাৰ কায়স্থ*— অপেছাদাৰী নাট্যগোষ্ঠী অসমৰ জাতীয় সম্পদ ৫
- *শংকৰ দাস*— ৰংগ মঞ্চ হওক সমাজ জাগৰণৰ আহিলা ৯
- *প্ৰভাত চন্দ্ৰ ঠাকুৰীয়া*— উইলিয়াম শ্বেক্সপীয়েৰৰ নাটকৰ সংক্ষিপ্ত বিশ্লেষণ ১১
- *প্ৰভাত চন্দ্ৰ শালৈ*— অনন্য প্ৰতিভাৰ পুৰুষ শশাঙ্ক দাস কলিতা ১৪
- *যতীন চৌধুৰী, দেৱকুমাৰ কলিতা*— সংস্কৃতিৰ পথাৰত ‘চন্দন’ ১৬
- *বিচিত্ৰা কলিতা*— স্মৃতি হ’ল ‘ঠগাল জেনেৰেল’ ১৯
- *নিৰোদ চৌধুৰী*— শশাংক দাস সোঁৱৰণী ৰূপালীম একাংকিকা নাট প্ৰতিযোগিতা ২১
- *বলী কলিতা কঁয়াটোল*— অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনত শশাংক দাস কলিতা (চন্দন)ৰ ভূমিকা ২৩
- *ভগৱান চন্দ্ৰ কলিতা*— নীলকণ্ঠ শশাংক দাস ছাৰ ২৫

# অপেছাদাৰী নাট্যগোষ্ঠী অসমৰ জাতীয় সম্পদ

■ দীনমণি ভাণ্ডাৰ কায়স্থ

অসমৰ বৰ্তমানৰ সময়খিনি আৰু অতীতৰ সমাজ জীৱনক ফঁহিয়াই চালে গতিশীল আৰু প্ৰাণময় সামাজিক জীৱনৰ বাবে নাটকে আগবঢ়োৱা অৰিহনা স্পষ্টভাৱে দেখা যায়। ধৰ্মীয় দৰ্শনৰ প্ৰচাৰ আৰু সমাজ সংস্কাৰৰ বাবে লোৱা প্ৰচেষ্টাসমূহৰ ভিতৰত অসমীয়া নাটকৰ জনক শ্ৰীমন্ত শংকৰদেৱৰ নাটকৰ সৃষ্টি আৰু পৰিৱেশন অন্যতম হিচাপে ইতিমধ্যে স্বীকৃত হৈছে। নাটকে প্ৰত্যক্ষভাৱে জীৱনৰ কথা, সমস্যাৰ কথা, বিড়ম্বনা, ভাল বেয়া সকলো শৃংখলৰ কথা কয়। এই সমূহ বিষয়ৰ দৰ্শনীয় ৰূপেৰে দৰ্শকক আমোদ দিয়াৰ লগতে একোটা জীৱন দৃষ্টি প্ৰেৰণ কৰে। নাটক গণমাধ্যমৰ স্বতন্ত্ৰ শিল্পৰূপ। সময়, সমাজ আৰু সমকালীন চিন্তা ভাৱনা বহন কৰি আগবাঢ়ি আহি আছে নাটকে।

নৱবৈষ্ণৱ যুগটো অসমীয়া সংস্কৃতিৰ নৱ জাগৰণৰ যুগ। এই যুগৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমীয়া সংস্কৃতিলৈ আগবঢ়োৱা শ্ৰেষ্ঠ কলা হ'ল নাটক। খ্ৰীষ্টিয় যোড়শ শতিকাৰ আগত শংকৰদেৱৰ দ্বাৰা ৰচনা কৰা নাটকৰ আগত অসমীয়া নাটকৰ সৃষ্টিৰ কোনো স্পষ্ট নিদৰ্শন পোৱা নাযায়। অৱশ্যে কুমাৰ ভাস্কৰ বৰ্মনৰ দিনত সংস্কৃত নাটকৰ পৰিৱেশনৰ ইতিহাস পোৱা যায়। বৰ্তমানত আমি যাক নাটক বুলি কওঁ তাতকৈ চৰিত্ৰগতভাৱে নহ'লে বৈশিষ্ট্যগতভাৱে পাৰ্থক্য থকা বৈষ্ণৱ যুগৰ অংকীয়া নাটকেৰেই অসমীয়া নাট্যসাহিত্যৰ যাত্ৰা আৰম্ভ হয়। শংকৰোত্তৰ যুগত অসমীয়া নাট্য সাহিত্যৰ আৰু মঞ্চৰ প্ৰথমজন বাস্তৱধৰ্মী, সামাজিক, আলোচনাত্মক নাটকৰ বাটকটিয়া জন হ'ল জ্যোতি প্ৰসাদ আগৰৱালা।

অৱশ্যে ভাৰতীয় নাট্যভাৱনাৰ উদিত মুখ্য হ'ল ভৰতমুনিৰ নাট্যশাস্ত্ৰ, ইয়াক পঞ্চম বেদ বুলিও কোৱা হয়। নাট্য শাস্ত্ৰই কৈছে—

নতজ্ঞানং গত্য শিল্প নসা বিদ্যা নতে কলা।



নত্য য়োগো নচ কৰ্মো নাট্যস্মিন য়ন্মদৃশ্যতে।।

এনে কোনো জ্ঞান নাই, এনে শিল্প নাই, কলা নাই, যোগ নাই, কৰ্ম নাই, যি বিষয় নাটকত দেখুৱাব নোৱাৰি। নাটক এক সুকুমাৰ কলা মানুহৰ জীৱনৰ দৰ্কাৰীখিনি প্ৰদৰ্শন কৰাৰ লগতে অভিজ্ঞতাৰ ওপৰত সুন্দৰভাৱে বক্তব্য বা পোহৰ পেলাবলৈ এবিধ সুপ্ৰাস্থিত কলাই হ'ল নাটক।

অংকীয়া নাটৰ পৰা সাম্প্ৰতিক সময়ৰ অন্তৰংগ থিয়েটাৰলৈ দীৰ্ঘ পৰিক্ৰমাত নাটকে সমাজজীৱন আৰু ব্যক্তিজীৱনত লোৱা শক্তিশালী ভূমিকাত, গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে অসমৰ অপেছাদাৰী নাট্য গোষ্ঠীসমূহে। নাটকৰ পিতৃপুৰুষ অঙ্কীয়া নাটকৰো পৰিৱেশনত আছিল অপেছাদাৰী শিল্পী সমূহৰ অভিনয়। আনহাতে যাত্ৰা-পাৰ্টিৰ বৈশিষ্ট্য অসমৰ গ্ৰাম্যঅঞ্চল বা নগৰ সমূহত যিবোৰ নাট মঞ্চস্থ কৰাৰ এটা পৰম্পৰা চলি আছিল, এতিয়াও এই পৰম্পৰা কিছুপৰিমাণে পিছপৰি নিষ্প্ৰভ হলেও, ঠায়ে ঠায়ে চলি আছে।

প্ৰকৃত পক্ষে ক'বলৈ হ'লে অসমীয়া নাটক আৰু মঞ্চাভিনয়ৰ গুৰিবঠাডাল ধৰি আহিছে অপেছাদাৰী নাট্যগোষ্ঠী বা নাট্য শিল্পীসকলে। এইবোৰত সন্দেহৰ বিন্দুমাত্ৰত থল নহ'লে অসমৰ বুকুত সৃষ্টি হোৱা অনুপম নাট্যপৰম্পৰাক পালন বৰ্তমান শতিকাৰ প্ৰায় আৰম্ভণীৰ পৰা সৰু-বৰ সকলো চহৰতে, গ্ৰমাঞ্চলৰ সকলো গাঁৱতে নানাধৰণৰ নাটকৰ অভিনয় প্ৰদৰ্শন কৰাত এক অনুকৰীয় ভূমিকা লৈছিল ঠায়ে ঠায়ে গঢ়ি উঠা অপেছাদাৰী নাট্য দলবোৰে আৰু তাৰ মাজৰ পৰাই সৃষ্টি হৈছিল, অনুপম নাট্যকৰ্ম, শক্তিশালী অভিনেতা, বহুসংখ্যক মৌলিক নাটক। অসমত নাট্য পৰিৱেশ এটা গঢ়িতোলাত এই নাট্যগোষ্ঠীৰ আছে গুৰুত্বপূৰ্ণ ভূমিকা। আমাৰ চুবুৰীয়া পশ্চিমবংগৰ নিচিনাকৈ অসমত নাটক অভিনয়ক পেছা হিচাপে লোৱাটো এটা সময়ত অলীক কল্পনাৰ দৰেই আছিল। নাটকত অভিনয়ৰ বাবে ব্যাকুল হৈ পৰা আমাৰ প্ৰাতঃস্মৰণীয় ফনীশৰ্মা, বিষ্ণু ৰাভাৰ দৰে নাট্যপ্ৰাণসকলেও ক'ৰবাত কোনাবাই নাট মেলাৰ গোন্ধটো পালেই দৌৰ মাৰিছিল। অসমত বহুতো নামী খ্যাত-অখ্যাত বা অভিনয় ভালপোৱা মানুহেই এনেদৰে নাটকৰ যাত্ৰাক সমৃদ্ধ কৰি তুলিছিল। পেছা নহয় নিচা নাটকৰ প্ৰতি নিচাই আছিল তেওঁলোকৰ অভিনয়ৰ দুৰ্বাৰ হেপাহ।

অসমত অপেছাদাৰী নাট্য গোষ্ঠীৰ সকলোতকৈ উল্লেখনীয় অৱদানটো হ'ল এনে দলবোৰে মঞ্চস্থ কৰা নাটকৰ বিষয়বস্তুৰ মৌলিকত্ব আৰু আংগিকত পৰীক্ষা নিৰীক্ষা কৰা দেখা যায়। তেওঁলোকৰ ভৱিষ্যত নিৰ্ভৰ কৰে ভাল নাটক, ভাল অভিনয় এই দুইটা বিশেষ বিষয়ৰ ওপৰত। ভালনাটক, ভাল অভিনয় প্ৰদৰ্শনকে ভাল দৰ্শক সৃষ্টি এই দলবোৰৰ মুখ্য উদ্দেশ্য। চৌখিন এই নাট্যপ্ৰেমীৰ বা গোষ্ঠীৰ লাভ লোকচান গৌণ। হাতৰ পইছাখৰচ কৰি অভিনয় কৰাৰ আগ্ৰহ এওলোকৰ যাত্ৰাৰ মূল লক্ষ্য। অপেছাদাৰী নাট্যগোষ্ঠী বিলাকৰ অভিনয় শিল্পী সকল সাধাৰণতে চাকৰিয়াল, স্বাধীন ব্যৱসায়ী, অধ্যাপক, কলেজ-স্কুলৰ পৰীক্ষা দি আজৰি সময়পোৱা ছাত্ৰ বা একো কাম নকৰি বহি থকা একোজন কৰ্মহীন ব্যক্তি। কিবা এটা কৰাৰ হেঁপাহ, কিবা এটা সমাজক ভাল দিয়াৰ আগ্ৰহ আৰু নিজৰ চখ পুৰণৰ ইচ্ছা, এইসকল শিল্পীৰ লক্ষ্য। ভাল দিয়াৰ বাবে যি প্ৰচেষ্টা সেই প্ৰচেষ্টাৰ ফচল হিচাবে এই গোষ্ঠীসমূহে পৰীক্ষা নীৰিক্ষা ভাল নাটক ৰচনাৰ বাবে ভাল নাট্যকাৰ সৃষ্টি কৰাত বহু সময়ত সফল হৈছে। ঘৰৰ গালি খাই, নিশাদেৰীকৈ আহি নিজৰ ক্ষতি কৰি হলেও নাটকৰ উত্তৰণ আৰু বিকাশ আৰু নাটকৰ যোগেদি সমাজক ভাল কিবা এটা দিয়াৰ আগ্ৰহত থকা এই নাট্যগোষ্ঠীসমূহ প্ৰকৃততে অসমৰ নাট জগতৰ একোজন শ্ৰদ্ধাবান শিল্পী। এওলোকৰ প্ৰচেষ্টাতে নাটকত প্ৰতিবিম্বিত হোৱা বিভিন্ন ৰুচীৰ নাটক ইতিমধ্যে অসমৰ নাট্য সাহিত্যক বহু ওপৰলৈ টানি নিছে। আজিলৈকে আমাৰ নাট্য সাহিত্যত যিকেইখন নাটক আমাৰ শিৰ ওখ কৰিবলৈ সুবিধা দিছে, সেইকেইখন নাটক সম্পূৰ্ণ অপেছাদাৰী মঞ্চৰ পৰা অহা অপেছাদাৰী মঞ্চৰ বাবেই লিখা। গতিকে আমি কৈ ফুৰা নাট্যআন্দোলন যদি কেতিয়াবা আছে, তেনেহলে অপেছাদাৰীয়েই সেই আন্দোলনৰ প্ৰথম খোজটো দিব লাগিব।

অসমত অপেছাদাৰী নাট্যগোষ্ঠীৰ দ্বাৰা পৰিৱেশন কৰা নাটকৰ সংখ্যা বা নাট্যনুষ্ঠানৰ পৰিসংখ্যাৰ হিচাব নাই বা থোৰতে ইয়াক জুকিয়াই চাই উলিওৱাটো কঠিন। অৱহেলা বা অৱজ্ঞা বুলি নকও, কিন্তু অসমৰ এই গোষ্ঠীসমূহৰ নাটৰ বুৰঞ্জী নাই। অৱশ্যে অসংগঠিত ৰূপত সিঁচৰতি হৈ থকা এই ধৰণৰ নাট্য মঞ্চাভিনয়ৰ খবৰ ৰখাটো এটা সময়ত কঠিন কামৰ ভিতৰতে আছিল। বৰ্তমান তথ্য প্ৰযুক্তি বা সুবিধাজনক যাতায়াত বা বিভিন্ন মাধ্যমৰ সহায়তে এনে বুৰঞ্জী নিৰ্মাণৰ সুবিধা আহিছে। সামাজিক সংগঠন, নাট্য সন্মিলন আদিৰ দৰে বেচৰকাৰী সংস্থাসমূহে ইয়াক কৰ্তব্য হিচাবে গ্ৰহণ কৰিব পাৰে। চৰকাৰী ভাৱেও এটা সাংস্কৃতিক সঞ্চালয়কৰ জন্ম দিছে। চৰকাৰী মন্ত্ৰক ব্যৱহাৰ কৰি এনে চিন্তাক সফল কৰি তুলিব পাৰে।

একবিংশ শতিকাত আমাৰ গুৰু আৰু প্ৰাতঃস্মৰণীয় ব্যক্তিসকলে সমৃদ্ধ কৰা নাট্য জগতখনত অপেছাদাৰী নাট্য গোষ্ঠীয়ে নাট মঞ্চস্থ কৰাৰ বাবে স্থায়ী মঞ্চৰ অভাৱত দুৰ্ভোগ ভুগিবলগীয়া হোৱাটো জাতিটোৰ বাবেই ক্ষতি

কাৰক। নাটক আৰু নাটশাল হ'ল জাতিৰ দৰ্পন। এটা জাতিৰ আশা-আকাংক্ষা, সুখ-দুখ, আনন্দ-বিষাদ, হতাশা বেদনা সপোনৰ প্ৰতিফলন হয় নাটকত। নাটকত বিছাৰি পোৱা যায় যুগৰৎ জাতিৰ চিন্তা চেতনা, যুগ নিৰ্ভৰ পৰিৱৰ্তনৰ ধাৰাসমূহ। ইতিমধ্যে অপেছাদাৰী নাট্য গোষ্ঠীৰ দ্বাৰা পৰিবেশন কৰা কিমান অনুষ্ঠানৰ লিখিত বুৰঞ্জীৰ অৱৰ্তমানত বা আমি কিমান হেৰুৱালো আমাৰ জাতিৰ গুৰুত্বপূৰ্ণ বিষয়। ইতিমধ্যে নগৰ অঞ্চলত বহুতো নাট্যমঞ্চৰ অৱস্থিতি দেখা গৈছে। গাঁও অঞ্চলত নায়েই। দুই এটা সংঘ বা পুথিভঁড়ালৰ দ্বাৰা নিৰ্মিত আধুনিক সা-সৰঞ্জাম বিহীন প্ৰেক্ষাগৃহই শেষভৰষা। চহৰ অঞ্চলৰ ৰংগমঞ্চবোৰৰো জনামতে অবস্থা ভাল নহয়। গুৱাহাটীৰ দৰে চহৰত মাত্ৰ সক্ৰিয়ভাৱে দুই তিনিতামানহে মঞ্চ আছে। দুই এটা ভাল আছে যদিও অধিক ভাড়াৰ বাবে আপেছাদাৰী গোষ্ঠীয়ে সেইবোৰ ব্যৱহাৰ কৰিব নোৱাৰে। অপেছাদাৰী গোষ্ঠীয়ে টিকটৰ ব্যৱস্থাত কৰিব নোৱাৰে। টিকট নাথাকোতেই দৰ্শক নাহে। গোষ্ঠীটোৰ লগত জড়িত ব্যক্তিৰ অঙহী-বঙহীক হে দৰ্শকৰ ৰূপত অধিক দেখা পোৱা যায়। খুউব কম সংখ্যকে নাটক চাবৰ বাবে দৰ্শকৰ আসন লয়। এটা ভাল লগা খবৰ যে গ্ৰাম্যঞ্চলত দৰ্শক আছে। কিন্তু প্ৰেক্ষাগৃহৰ অভাৱত টকা-খৰচ কৰি প্ৰেক্ষাগৃহ অস্থায়ীকৈ সাজি নাট মঞ্চস্থ কৰাটো এই গোষ্ঠীসমূহৰ বাবে সহজ নহয়। ৰাইজৰ সহায় আৰু ব্যক্তিগত অনুদান গ্ৰহণ কৰি বহুতো গোষ্ঠীয়ে বছৰত এবাৰ হ'লেও নাট্যনুস্থান পতাৰ ব্যৱস্থা কৰি আহিছে। এইয়া সুখবৰ উৎসাহ জনকো। হলেও এই অসুবিধা খিনি স্থায়ী হৈ থাকিলে, শিক্ষিত, আধুনিক নৱ প্ৰজন্মই ঘৰতেই টিভি চাব। এনে কষ্টৰ বাবে নাটক কৰাৰ, অভিনয় কৰাৰ মন থাকিলেও আগবাঢ়ি নাহিব। বহুতো গোষ্ঠী ইতিমধ্যে তিক্ত অভিজ্ঞতা লাভ কৰি অনুষ্ঠান কৰা বাদ দিছে। অৱশ্যে বহুতো নতুন গোষ্ঠী মৰসাহ কৰি কঁকালত টঙালি বান্ধি আগবাঢ়িছে। কিমান দিন কিমান বছৰ তেওঁলোকৰ এই উৎসাহ সজীৱ সতেজ হৈ থাকে, সেইয়াও চিন্তনীয়। তেওঁ লোক সদায় সজীৱ সতেজ হৈ থাকক। জাতিটোৰ নাট্য আন্দোলনৰ বাবে এনে প্ৰচেষ্টা আদৰণীয়।

দেখাত সাঁথৰ যেন লাগিলেও কথাষাৰ সঁচা আৰু বাস্তৱভিত্তিক। অসমীয়া একাংকিকা নাটক বৰ্তি আছে, প্ৰতিযোগীতাসমূহৰ জৰিয়তে আৰু চৌখিন বা অপেছাদাৰী নাট্যগোষ্ঠীৰ উদ্যমত। নাটকলৈ অ'ত ত'ত ঘূৰি ফুৰিব লগীয়া হোৱা বাবে এইসমূহ গোষ্ঠীৰো মন কেতিয়াবা ভাঙে। হলেও অসমত একাংকিকা নাটকৰ প্ৰতিযোগিতাৰ এটি আলোড়ন আছে। অতীজতো আছিল। এই ক্ষেত্ৰত অসমৰ বিভিন্ন প্ৰান্তত গঢ়ি উঠা স্থায়ী ৰংগমঞ্চ সমূহৰ অৱদান সৰ্বাধিক। অসমৰ সৰ্বত্ৰে স্থায়ী মঞ্চৰ প্ৰয়োজন। নাট্য চৰ্চা ধাৰাবাহিক আৰু অবিছিন্ন হবলৈ হ'লে নাট্যমঞ্চৰ প্ৰয়োজন সৰ্বাধিক। নাট্য শিল্পৰ লগত জড়িত ব্যক্তিৰ ইচ্ছা থাকিলেও, নিজৰ পইচাৰে এনে মঞ্চ তৈয়াৰ কৰি নাট্য আন্দোলনটিক গতিশীল কৰা কামটো অত্যন্ত কঠিন। হয়তো তেওঁলোক ইমান ধনীও নহয় যে ব্যক্তিগতভাৱে এনে অভাৱ পূৰণত সহায় কৰিব পাৰিব। তথাপিও কিন্তু বহু কষ্টৰে এচাম নাট্য প্ৰেমী শিল্পী, কলা কুশলী, অভিনেতা-অভিনেত্ৰীয়ে একাংকিকা নাটকৰ প্ৰতিযোগিতাৰ দ্বাৰা আন্দোলনত অৰিহনা জোগাই আছে। সাধাৰণ শ্ৰেণীৰ দৰ্শক এই অনুষ্ঠানৰ দ্বাৰা উপকৃত হৈছে। গুৱাহাটী, নঁগাও, যোৰহাট, ডিব্ৰুগড়, তেজপুৰ, নলবাৰী, বৰপেটা আদিত কিছু প্ৰেক্ষাগৃহ আছে। শীত-তাপ নিয়ন্ত্ৰিত আৰু আধুনিক সা-সৰঞ্জামেৰে নিৰ্মিত এই প্ৰেক্ষাগৃহত দৰ্শকৰ শাৰীত সাধাৰণ শ্ৰেণীতকৈ অল্প উচ্চমানৰ দৰ্শককহে দেখা যায়। মনোৰঞ্জনৰ বাবে এনে দৰ্শকৰ উপস্থিতি দেখা যায়। কিন্তু অসমৰ সৰ্বত্ৰে নাট্য আন্দোলনৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যক সফল কৰিবলৈ হ'লে গ্ৰামাঞ্চলত এনে ধৰণৰ অতি উচ্চ পৰ্য্যায়ৰ নহলেও প্ৰেক্ষাগৃহৰ প্ৰয়োজন সৰ্বাধিক।

কামৰূপ জিলাত কেইটামান সংঘ আৰু পুথিভঁড়ালৰ প্ৰেক্ষাগৃহ আছে। সেইবোৰত সময়ত নাট্যনুষ্ঠান হয়। কিন্তু ভাল লগা আৰু উৎসাহজনক খবৰ যে হাজো অঞ্চলত হালোগাঁও আৰু বামুন্দিত ৰাইজৰ সহযোগত ব্যক্তিগত আৰু সংগঠনৰ পৃষ্ঠপোষকতাত দুখন একাংকিকা নাট প্ৰতিযোগিতা আৰম্ভ হৈছে। অসমৰ তৃতীয়টো ভ্ৰাম্যমানৰ জন্মস্থান হাজোৰ পাৰ্শ্বৱৰ্ত্তী অঞ্চল অতীতৰ পৰা নাটকৰ জগতত চিনাকি অঞ্চল। হাজো নাট্যকলা কেন্দ্ৰকে আদি কৰি হালোগাঁও, লাহ আদিত বহুবছৰ আগৰ পৰাই যাত্ৰা পাৰ্টিৰ দল আছে। এই অঞ্চলত বিভিন্ন সংঘ আৰু পুথিভঁৰালৰ দ্বাৰা নাট মঞ্চস্থ কৰাৰ পৰম্পৰা পুৰণি। হালোগাঁও ৰূপালীম নাট্য পৰিষদৰ আৰু হালোগাঁও অসমী যুৱক সংঘৰ দ্বাৰা পৰিৱেশিত নাট্যানুষ্ঠানৰ এজন বলিষ্ঠ অভিনেতা আছিল শশাংক দাস ডাঙৰীয়া। তেওঁৰেই স্মৃতিচৰণ আৰু তেওঁৰ অভিনয়ক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্য আগত ৰাখি লক্ষেশ্বৰ দাস স্মৃতি ন্যাসৰ উদ্যোগত আৰু হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰাল তথা ৰাইজৰ সহযোগতবিগতপাঁচ বছৰ ধৰি ৰূপালীম নামেৰে এখন একাংকিকা নাট প্ৰতিযোগিতা চলিআছে। এজন অভিনেতা আৰু নাটক ভালপোৱা ব্যক্তিৰ সোঁৱৰণত অনুষ্ঠিত এনে অনুষ্ঠানবোৰ সুস্থ সামাজিক পৰম্পৰা আৰু সংস্কৃতিবান

সমাজৰ পৰিচায়ক। অসমত এনে দায়িত্বশীল বহু গোষ্ঠী আৰু সমাজ আছে যিয়ে এনেদৰে একোজন ব্যক্তিৰ সোঁৱৰণত একাংকিকা আৰু মূলনাটকৰ প্ৰতিযোগিতা আৰম্ভ কৰি আহিছে। কামৰূপৰ বামুন্দীতো প্ৰৱাহ নামৰ এটা গোষ্ঠীয়ে এই বছৰ এনে যাত্ৰাৰ আৰম্ভণী কৰিছে। প্ৰতিবছৰে গোৱালপাৰাৰ আগিয়া অঞ্চলৰ কামপুৰ নামৰ ঠাইত বাদুংদুপ্পাৰ আণ্ডাৰ দ্য ছাল ট্ৰি নাট্যানুষ্ঠান এটি ব্যতিক্ৰমধৰ্মী নাট্যনুষ্ঠান। মুকলি আকাশৰ তলত অপেছাদাৰী নাট্যগোষ্ঠীৰ নাট পৰিৱেশনৰ এই সুন্দৰ যাত্ৰাক আদৰ্শ হিচাপে লৈ ইতিমধ্যে বহুঠাইত এনে পৰিৱেশত প্ৰতিযোগিতাৰ অনুস্থিত কৰাৰ ধাৰা এটা আৰম্ভ হৈছে অসমত। শুক্ৰাচাৰ্য ৰাভাৰ প্ৰচেষ্টাত যিদৰে বাদুংদুপ্পা কৰা কেন্দ্ৰই ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিলে, সেইদৰে অসমৰ এজন বৌদ্ধিক চিন্তাশীল ব্যক্তি শংকৰ দাস ডাঙৰীয়াৰ উদ্যোগত কামৰূপৰ নাট প্ৰতিযোগিতাই কামৰূপত এটি নতুন চিন্তাৰ বাট মুকলি কৰিছে। ইতিমধ্যে চাৰিটা বছৰ সফলতাৰে অসমৰ আগশাৰীৰ নাট্য দলক আকৰ্ষিত কৰি এই প্ৰতিযোগিতাই পঞ্চম বছৰত ভৰি দিছে।

বিভিন্ন ব্যক্তি আৰু সংগঠনৰ, অভিনয় ভাল পোৱা আৰু শিল্পীক সহযোগত অপেছাদাৰী নাট্য ধাৰাই অসমত বহু শতিকা অতিক্ৰম কৰিলে। ইতিমধ্যে পেছাদাৰী নাটকৰ লগত সমানে ফেৰ মাৰি এই নাট্য দল সমূহে নাট্য আন্দোলনটোক অধিক তৰান্বিত কৰি তুলিছে। তথাপিও এই গোষ্ঠীসমূহৰ সংকট বহুত। একবিংশ শতিকাতো পেছাদাৰী বা অপেছাদাৰী কোনোধৰণৰ নাট্য অনুষ্ঠানকে চৰকাৰী ঘৰে সহায় সহযোগ নকৰে। স্থায়ী মঞ্চৰ উৰ্ধগামী ভাড়া বডদ্ধিয়ে এই দলসমূহক সহায় নকৰে। পেছাদাৰী নাট্যগোষ্ঠীৰ অৱস্থাত গোটেই সন্তোষ জনক নহ'লেও তেওঁলোকে ঋণৰ পৰাই কাম কৰে। কিবা এটা পায়। অসমত বিশাল বাণিজ্যৰ পোহৰ মেলা ব্যৱসায়ীক গোষ্ঠীয়েও বিশেষ সহায়ৰ বাবে আগ্ৰহ প্ৰদান নকৰে। পোহৰ, শব্দৰ, মঞ্চ সজ্জাৰ আকাশ চুম্বী ভাড়া। অপেছাদাৰী নাট্য গোষ্ঠী সমূহৰ নাটবোৰৰ মাজত নিৰ্ভৰযোগ্য প্ৰতিযোগিতামূলক বিছাৰৰ বাবেও কোনো চৰকাৰী বেচৰকাৰী সংস্থা নাই। সাংস্কৃতিক সঞ্চালকালয়ো নিমাত। উপযুক্ত নাট্যকাৰৰ অভাৱ অপেছাদাৰী নাট্য গোষ্ঠীৰ এটা সমস্যা। পেছাদাৰী নাট্যগোষ্ঠীয়ে ধনৰ বিনিময়ত হলেও নাট ৰচয়িতাক নাট ৰচনাৰ বাবে প্ৰেৰণা যোগায়। অপেছাদাৰী নাট্য গোষ্ঠীয়ে সেইয়া কৰাটোতো সমস্যা আছে। ধনৰ অভাৱ।

ইমান দুৰ্যোগ আৰু অভাৱৰ মাজতো, অপেছাদাৰী বা চৌখিন গোষ্ঠীয়ে অসমৰ নাট্য আন্দোলনক এটি বৌদ্ধিক চিন্তা চৰ্চাৰ বাট নাটকৰ মাজতে দি আহিছে। কলা কুশলী, শিল্পী, নাটক আৰু নাট্যকাৰ সৃষ্টি কৰি অসমৰ নাট্য জগতক সমৃদ্ধ কৰি আহিছে। বঁটাও পাই আছে। তথাপি উদ্যমী, এই সকল গোষ্ঠীৰ প্ৰতিজন ব্যক্তি আৰু এনেবোৰ গোষ্ঠীক সৰ্বতোপ্ৰকাৰ সকলো দিশতে উৎসাহ যোগাই অহা ব্যক্তিসকল সঁচাকৈয়ে জাতিটোৰ সংস্কৃতিৰ নীৰৱ সাধক। অপেছাদাৰী গোষ্ঠী তেওঁলোকৰ আদৰ্শ আৰু যাত্ৰাৰ গতিপথত শক্তিৰূপত সফল হওঁক। অপেছাদাৰী নাট্যগোষ্ঠী বিনাচৰ্তে অসমৰ জাতীয় সম্পদ। ■



# ৰংগ মঞ্চ হওক সমাজ জাগৰণৰ আহিলা

■ শংকৰ দাস

**সা**হিত্যৰ ভিতৰত উপন্যাস, কবিতা, গল্প আদি বিভিন্ন বিধা বিলাকৰ দৰে নাটকো হ'ল সৃষ্টিশীল কৰ্ম। নাটক হ'ল পৰিবেশ্য কলাৰ সম্পূৰ্ণ ৰূপ। নাট্যকাৰৰ চিন্তা, পৰিচালকৰ কলা, আজিকালি সংগীত পোহৰৰ মনোমোহা সমাহেৰে পৰিবেশিত নাটকবোৰ আৰু অধিক আকৰ্শিত হৈ পৰিছে। এইসকলো বিলাকৰ মূলতেই হ'ল মঞ্চ। সেই বাবেই ইয়াক ৰঙ্গমঞ্চ বুলি কোৱা হয়। চিনেমা আৱিষ্কাৰৰ আগতেও একমাত্ৰ দৃশ্য শ্ৰাব্য ব্যৱস্থাৰ আছিল নাটকবোৰহে ঠিক আজিকালি ৰিয়েলিটি শ্বো'ৰ দৰেই।

বৰ্তমান গণমাধ্যমবোৰৰ ভিতৰত অন্যতম শক্তিশালী মাধ্যম হ'ল গীত-মাত, নাটক, চিনেমা আদি। প্ৰচাৰ মাধ্যমৰ বিভিন্ন প্লেটফৰ্মৰ সুবিধা হোৱা স্বত্বেও কিশোৰ, যুৱক-যুৱতীৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠসকলৰ মাজতো নাটক এতিয়াও জনপ্ৰিয় হৈ আছে বুলি ক'ব লাগিব। কাৰণ নাটকৰ প্ৰতি সকলোৰে স্বাভাৱিক এটা আকৰ্ষণ থাকেই। বৰ্তমানৰ প্ৰতিযোগিতামূলক ব্যস্ততাপূৰ্ণ জীৱনত সাময়িকভাৱে হ'লেও আনন্দ দিব পৰা অন্যতম মাধ্যম হ'ল নাটক। চৰিত্ৰসমূহৰ বাস্তৱ উপস্থাপনৰ বাবে নাটক হৈ পৰে সমাজৰ দাপোণ, সেইবাবে নাটকে কন্দুৱাই-হহুঁৱাই আৰু সেইবাবেই নাটকৰ প্ৰতি থাকে এক বিশেষ আকৰ্ষণ।

নাটকে দৰ্শকৰ অৱচেতন মনত প্ৰভাৱ পেলায় আৰু ইয়াৰ মনোবিজ্ঞান, আচৰণ, আচাৰ-ব্যৱহাৰ, সৌন্দৰ্য, ভাৱভংগী নিজৰ জীৱনত প্ৰতিবিম্বিত কৰি লয়। সেইবাবে ৰুচি আৰু কাম অনুসৰি মনস্তাত্ত্বিকভাৱে কোনোবাই অভিনয়, কোনোবাই সংলাপ, কোনোবাই সাজ-সজ্জা, কোনোবাই গীত, কোনোবাই কাহিনীত মুগ্ধ হৈ পৰে আৰু নিজকে একাত্ম কৰি লয়। গীত, বাদ্য, সাজসজ্জা, সংলাপ, অভিনয় আদিৰ নৱৰসৰ মিলনেৰে হোৱা নাটক একমাত্ৰ কলা নহৈ হৈ পৰে ললিত কলাৰ সমাহাৰ আৰু সেইবাবেই সামগ্ৰিকভাৱে সমাজত ই অতি জনপ্ৰিয়।

প্ৰযুক্তিবিদ্যাৰ অকল্পনীয় প্ৰগতি বিশেষকৈ ইনফৰ্মেচন টেকনোল'জিৰ প্ৰভাৱত পৰি বিশ্বায়নৰ প্ৰভাৱত নাটকেও নব্য ৰূপ লৈছে ঠিকেই, কিন্তু মুক্ত অৰ্থনীতি, বিশ্ববজাৰ, আন্তৰ্জাতিক প্ৰতিযোগিতা সৰ্বোপৰি অভিব্যক্তিৰ স্বাধীনতাৰ নামত যিবোৰমঞ্চত দেখুওৱা আৰম্ভ হৈছে ইয়াৰদ্বাৰা সমাজ জাগৰণ হ'ব বুলি ক'ব নোৱাৰি। বৰ্তমানৰ নাটক কল্পনা জগতৰ পৰীক্ষাগাৰ হৈ পৰিছে। বাস্তৱ ধৰ্মিতাৰ পৰা ফালৰি কাটি অলীক কল্পনাৰ লগতে আধুনিকতাৰ নামত একেটা পৰিয়ালৰ ব্যৱহাৰিক দিশ বুলি যিবোৰ দেখুওৱা হয় তাৰ ফলত এই শক্তিশালী গণ মাধ্যমটো সমাজহিতৰ পৰিপন্থীহে হৈ পৰা পৰিলক্ষিত হৈছে। ঘৰৰ ভিতৰতে মদৰ আড্ডা, উদ্দাম নৃত্য-গীত, কাণ তালমৰা





ধ্বনি, তাৰ মাজতে নিচাসক্তৰ মুখত অবাচ্চ মাত আদিয়ে পৰিয়ালৰ ব্যৱহাৰ প্ৰতিবিম্বিত কৰিব নোৱাৰে বৰং সমাজত বিৰূপ প্ৰভাৱহে পেলোৱাৰ সম্ভাৱনা অধিক। পতি-পত্নীৰ মাজত সন্দেহ, ভাই-ভাইৰ মাজত সৰু কথা এটাক লৈ কাজিয়া, বোৱাৰী-বোৱাৰীৰ মাজত দ্বেষ, সৰু-বৰ সদস্যৰ মাজত অবাধ মাদক দ্ৰব্য সেৱনৰ দৃশ্য আদিয়ে আমাৰ সমাজত, পৰিয়ালৰ সদস্যৰ মাজত অবিশ্বাসহে নিৰ্মাণ কৰিব পাৰে। আধুনিকতাৰ নামত নগ্নতা কোনোকাৰণতে গ্ৰহণযোগ্য হ'ব নোৱাৰে ই হ'ল এক প্ৰকাৰৰ বিকৃতিহে। সেইবাবে নাটকবোৰ সমাজৰ দাপোণ হৈয়েই আছে বুলি ন দি কোৱাটো কঠিন।

ভাৰতীয় দৃষ্টিকোণেৰে যদি চাওঁ, আমি সৌন্দৰ্যৰ কল্পনা কৰোঁ নীলা আকাশত, সেউজীয়া পৰ্বতত, প্ৰাকৃতিক পৰিৱেশত, নিষ্পাপ নগ্ন শিশুৰো আমি সৌন্দৰ্যবোধ অনুভৱ কৰোঁ। আমাৰ কল্পনাত থকা চৰাই-চিৰিকটিৰ মাজত, বনৰহৰিণাৰ লগত, প্ৰাকৃতিক পৰিৱেশৰ মাজত শকুন্তলাৰ চিত্ৰখনত নগ্নতা দেখা নাপাওঁ কিন্তু সেই একেই সাজ পৰিধান কৰোৱাই চানি লিয়নীক উপস্থাপন কৰিলে নগ্নতাই প্ৰকাশ নাপাব নে?

আজি কালি দুঘণ্টীয়া নাটকখনৰ এঘণ্টা পঞ্চল্লিশ মিনিট অভিনয় ভিলেইনে কৰে। হিৰোৱে শেষৰ পোন্ধৰ মিনিটত ভিলেইনক পৰাজিত কৰি দৰ্শকক আমোদ দিয়ে। এই যে দৰ্শকৰ অৱচেতন মনত এঘণ্টা পঞ্চল্লিশ মিনিট ধৰি ক্ৰিয়া কৰি থাকিল তাৰ প্ৰতিক্ৰিয়া বাস্তৱত প্ৰতিফলিত হয়। বাস্তৱ জীৱনত আজি কালি সেয়েহে ভিলেইনৰ অৱস্থিতি অধিক পৰিলক্ষিত হয়। চিনেমাৰ দৰে 'একচন' মানে কল্পনা বা সপোন বিক্ৰি কৰিলে আৰ্থিক দৃষ্টিৰে কোনোবা লাভৱান হ'ব পাৰে কিন্তু সামাজিক জীৱনত ইয়াৰ সুফল দেখা যায় বুলি আশা কৰিব নোৱাৰি। আজিকালি অশ্ৰাব্য শব্দৰে সংলাপ লিখাটো এটা ফেশ্বন হৈছে। ই কেতিয়াও সমৰ্থন যোগ্য হ'ব নোৱাৰে।

অসমৰ পটভূমিত নিৰ্মাণ কৰা এখন নাটকে যদি অসমখন প্ৰতিফলিত কৰিব নোৱাৰে তেন্তে দৰ্শক-শ্ৰোতাই তাক গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰিব। কিন্তু অসমৰ কলা-কৃষ্টি, সমাজ জীৱনৰ সকলো অংগ আদি প্ৰতিফলিত হয় শ্ৰোতা-দৰ্শকে আদৰি ল'ব। কামাখ্যা মন্দিৰৰ প্ৰতি সকলোৰে শ্ৰদ্ধা আছে— মন্দিৰ হিচাপে। তাকেই যদি উপস্থাপন কৰোঁতে প্ৰেম-পিৰিতিৰ স্থান হিচাপে দেখুওৱা হয় সাধাৰণ দৰ্শকে আদৰি ল'ব বুলি আশা কৰিব নোৱাৰি। মন্দিৰৰ গৰীমা অক্ষুণ্ণ ৰাখিলে হয়তো ৰাইজে আকোৱালী ল'ব আৰু এটা সঠিক বাৰ্তা বিশ্ব প্ৰেক্ষাপটলৈ লৈ যাব। কাইলৈ উপযুক্ত বুলি বিবেচিত হৈ সমগ্ৰ বিশ্বত অসম প্ৰতিফলিত হ'ব।

সাধাৰণতে নাটক, চিনেমাৰ হিৰো, ক্ৰিকেট-ফুটবল আদি খেলৰ তাৰকা অথবা অন্যান্য যিকোনো ক্ষেত্ৰত ব্যুৎপত্তি লাভ কৰা সকল সমাজৰ বাবে বিশেষকৈ যুৱক-যুৱতীসকলৰ আদৰ্শ হৈ পৰে যাক ইংৰাজীত 'আইকন' বা 'ৰোলমডেল' বুলি কোৱা হয় আৰু তেওঁলোক হৈ পৰে চেলিব্ৰেটি। তেওঁলোকে যি কৰে তাকেই কৰিবলৈ যুৱসমাজ উদ্বুদ্ধ হয় লাগিলে সেয়া হেয়াৰ কাটিঙেই হওক, পিন্ধন-উৰণতেই হওক অথবা গাত আঁক-বাক কৰি টেটো কৰাতেই হওক। ইয়াৰ দ্বাৰাই অনুমান কৰিব পাৰি চেলিব্ৰেটিসকলক কেনেদৰে আজিৰ যুৱ সমাজে অন্ধানুকৰণ কৰে। এই দৃষ্টিৰে যদি চোৱা যায় যুৱ সমাজক সঠিক পথত অগ্ৰসৰ হোৱাত চেলিব্ৰেটিসকলে অতি সহজতে প্ৰেৰণা প্ৰদান কৰিব পাৰে গতিকে সমাজ জাগৰণত চেলিব্ৰেটিসকলৰ ভূমিকা সদায় যোগাত্মক হোৱাটো বাঞ্ছনীয়।

আমাৰ কৃষ্টি-সংস্কৃতি, পৰম্পৰা, উৎসৱ-পাৰ্বণ, আচাৰ-ব্যৱহাৰ সঠিক দৃষ্টিৰে প্ৰতিফলিত হ'লে অসমৰ গাঁৱে-ভূঞে, চুকে-কোণে থকা লোকসকলে অসমখন অনুভৱ কৰিব পাৰিব। সামগ্ৰিকভাৱে অসমৰ জাতীয় চেতনা উদ্বুদ্ধ হ'ব। নৈতিক মূল্যবোধ, জীৱনমূল্য, স্বাভিমান, প্ৰাচীন গৌৰৱোজ্জ্বল ইতিহাস, আমাৰ পূৰ্বপুৰুষসকলৰ শৌৰ্য-বীৰ্যৰ গাঁথা আদি যদি এই শক্তিশালী গণ মাধ্যমটোৰ জৰিয়তে সমাজৰ সন্মুখলৈ আনিব পৰা যায় নিশ্চিতভাৱে আজিৰ প্ৰজন্ম লাভৱান হ'ব। সমাজৰ নৈতিক অৱক্ষয়, জীৱন মূল্যৰ অৱক্ষয় অথবা উশৃংখলতা ৰোধ কৰিবলৈ এই মাধ্যমটোৰ প্ৰয়োগ হোৱা বাঞ্ছনীয়। সামাজিক দায়িত্ববোধ, কৰ্তব্যবোধ আৰু দায়বদ্ধতাৰ প্ৰতি সজাগতাৰ দৃষ্টিৰেও এই মাধ্যমটোৰে সমাজক সংঘবদ্ধ কৰি অগ্ৰসৰ হোৱাত সহায় কৰিব পাৰে।

এইবোৰেই হ'ল সমাজ জাগৰণ। কেৱল প্ৰতিযোগিতা অথবা ব্যৱসায়ৰ পৰিৱৰ্তে উল্লেখিত বিষয়সমূহৰ প্ৰতি লক্ষ্য ৰাখি পৰিৱৰ্তনৰ বাবে এক আন্দোলন হিচাপে যদি ল'ব পৰা যায়, তেন্তে বৰ্তমানৰ যি সামাজিক পৰিৱেশ-পৰস্পৰৰ মাজত বিদ্বেষ, খিয়লা-খিয়লি, স্বাৰ্থপৰতা, নৈতিক স্খলন আদি ঋণাত্মক প্ৰভাৱৰ পৰা মুক্ত হ'ব পৰা যাব। নাটক সমাজ জাগৰণৰ এক শক্তিশালী আহিলা হিচাপে ব্যৱহাৰ কৰাটো লেখক, পৰিচালক, প্ৰযোজক, অভিনেতা-অভিনেত্ৰী, কলা- কুশলী তথা দৰ্শক সকলোৰে কৰ্তব্য হোৱা উচিত। ■



*প্ৰতিযোগিতা উদ্বোধনী অনুষ্ঠানৰ ছবি*

# উইলিয়াম শ্বেক্সপীয়েৰৰ নাটকৰ সংক্ষিপ্ত বিশ্লেষণ

■ প্ৰভাত চন্দ্ৰ ঠাকুৰীয়া

বিশ্ব বিশ্ৰুত নাট্যকাৰ উইলিয়াম শ্বেক্সপীয়েৰে সাতত্ৰিশখন নাটক লিখিছিল। নাটক বিলাকত কালবিজয়ী বক্তব্য এনেধৰণৰ লিখি থৈ গৈছে যে সেইবোৰ চিৰ সত্য। নাটকৰ কাহিনী ইমান গধুৰ, ইমান কৰুণ যে বেচিভাগ নাটক পৃথিৱীৰ বিভিন্ন ভাষালৈ অনুদিত হৈছে। বহুত নাটক চিনেমালৈ ৰূপান্তৰিত হৈছে। কিছুমান নাটক ট্ৰেজেদী, কিছুমান কমেদী আৰু কিছুমান ট্ৰেজি-কমেদী। শ্বেক্সপীয়েৰে ভাষাৰ অলংকাৰ স্বতঃস্ফূৰ্ত্তভাৱে ব্যৱহাৰ কৰিছিল। কিছুমান ডায়েলগত তেওঁ ব্যাকৰণ অনুকৰণ কৰা নাছিল; ব্যাকৰণেহে তেওঁক অনুকৰণ কৰিব লগা হৈছিল। He wrote the ornaments of language so spontaneously that grammar had to follow him.

শ্বেক্সপীয়েৰৰ বিয়োগান্ত নাটকৰবোৰ (ট্ৰেজেদী) ঘাইকৈ হেমলেট, মেকবেথ, কিং লিয়েৰ, অথেলো, এণ্টোনি এণ্ড ক্লিয়োপেট্ৰা, জুলিয়াচ চিজাৰ, কৰিওলেনাচ, টাইটাচ, এন্দ্ৰোনিকাচ, টাইমন অব এথেন্স আৰু ৰোমিও এণ্ড জুলিয়েট উল্লেখযোগ্য। আকৌ মিলনান্ত নাটক বোৰ (কমেদী)ৰ ভিতৰত দ্যা টুৱেলফ্‌থ নাইট, মাট্‌চ এডো এবাউট নাথিং, এজ ইউ লাইক ইট, দ্যা মাৰচেণ্ট অব ভেনিচ, দ্যা কমেদী অব এৰৰচ, মিজাৰ ফৰ মিজাৰ, লাভ্‌চ লেবাৰ্‌চ লষ্ট, দ্যা টু জেণ্টেলমেন অব ভেৰোনা, দ্যা টেমিং অব দ্যাশ্ৰু, অলচ্‌ ও ৱেল দ্যাট এণ্ডচ্‌ ওৱেল, দ্যা উইনটাৰচ্‌, টেল আদি অবিস্মৰণীয়। ক্ষমতাপিপাষু লেডী মেকবেথে তেওঁৰ স্বামী মেকবেথৰ হতুৱাই বুঢ়া ৰজা ডানকানক হত্যা কৰাইছিল। পিচত অনুতাপত দগ্ধ হৈ তেওঁ কৈছিল " Here's the small of blood still and all the perfumes of Arabia will not sweeten this little hand." (ইয়াতে অৰ্থাৎ লেডী মেকবেথৰ হাতৰ তলুৱাত তেজৰ গোন্ধ এতিয়াও আছে; আৰবৰ পৰা সুগন্ধি দ্ৰব্য আনি ঘহিলেও এই সৰু হাতখন মিঠা নোগোন্ধাব।) কৰুণভাৱে লেডী মেকবেথে মৃত্যুক সাৱতি ললে। একমাত্ৰ সঙ্গী লেডী মেকবেথৰ মৃত্যুৰ পিচত ৰজা মেকবেথে কৈছিল,

"Life is a walking shadow
That struts and frets its hour upon the stage





And then is heard no more
It's a tale told by an idiot
Full of sound and fury, signifying nothing"
"জীৱনটো এটা ঘূৰিফুৰা ছাঁ
যিটোৱে গপতে ঘূৰিফুৰে আৰু মঞ্চত বিৰক্তি
প্ৰকাশ কৰে,
আৰু তাৰ পিচত একো শুনা নাযায়।
এইটো এটা মূৰ্খই কোৱা গল্প
হৈ চৈৰে পৰিপূৰ্ণ যাৰ কোনো অৰ্থ নাই।
শেষত মেকবেথক মেকডাফে হত্যা কৰিলে।
Tragedy means 'the rest is silence'
Comedy means 'live happily ever after?

অথেলো নাটকত অথেলোই প্ৰেমৰ সন্দীহান হৈ নিষ্পাপ ডিচডেমনাক গলত চেমি মাৰি পেলাইছিল। ই যে কিমান কৰুণ! কিং লিয়েৰ নাটকত জীয়েক গণেৰীল, ৰিগেন এই দুয়োজনীৰ ব্যৱহাৰত ৰজাৰ জীৱন কেনে দুৰ্বহ হৈ পৰিছিল। কৰডেলিয়াৰ (ৰজাৰ তৃতীয় জীয়েক) বাস্তৱ দৃষ্টিভঙ্গীয়ে ৰজা লিয়েৰক শেষত সান্তনা দিছিল যদিও লিয়েৰৰ জীৱন অতি কৰুণ, মৰ্মান্তিক। জুলিয়াচ চিজাৰ নাটকত চিজাৰৰ বন্ধু ব্ৰুটাচে নিৰস্ত্ৰ চিজাৰক বুকুত চুৰিৰে হানিছিল আৰু চিজাৰে কৈছিল, "Et tu Bruta" অৰ্থাৎ "ব্ৰুটাচ তুমিও"। এনেধৰণৰ ডায়েলগবিলাক অবিস্মৰণীয়। শ্বেক্সপীয়েৰৰ ডায়েলগ বিশ্বজনীনভাৱে সত্য হৈছে সৰ্বকালৰ বাবে। চিজাৰে ঘৈণীয়েক কালপূৰ্ণিমাক কৈছিল—

"Cowards die many times before their death
The valiant never taste of death bat once."

ভীৰুৱে মৃত্যুৰ আগতে বহুবাৰ মৰে কিন্তু বীৰ পুৰুষে এবাৰহে মৃত্যুৰ সোৱাদ লয়। পোন্ধৰ মাৰ্চ তাৰিখে কালপূৰ্ণিমাই বেয়া সপোন দেখি চিজাৰক চিনেটলৈ যাবলৈ মানা কৰিছিল। তেতিয়া চিজাৰে উপোৰক্ত উক্তিটো গাইছিল। ট্ৰেজেদী বা কমেদী নাটকত শ্বেক্সপীয়েৰৰ প্ৰেম প্ৰসংগ মূলক ডায়েলগ বিলাক পৃথিৱীৰ কোনো শিক্ষিত লোকে বা সাহিত্যৰ ছাত্ৰই পাহৰিব নোৱাৰে। প্ৰেম বুলিলে ইংৰাজী 'Love' বুলি কোৱা হয়। প্ৰকৃত প্ৰেম মৃত্যুৰ শেষ ক্ষণলৈ থাকে। ইয়াৰ পৰিৱৰ্ত্তন নাই। কিন্তু 'love' ৰ অন্য এটা ৰূপ lust অৰ্থাৎ শাৰীৰিক কামনা বা বাসনা। ই প্ৰেম নহয়; love ৰ বিকৃত ৰূপ মাথোন। আজিৰ সমাজত love ৰ সলনি lust হে দেখা যায়। শ্বেক্সপীয়েৰৰ নাটকত বা প্ৰকৃত প্ৰেমৰ কালবিজয়ী ডায়েলগ দেখা যায়। হেমলেট নাটকত ৰাজকুমাৰ হেমলেটে ওফেলিয়াক ভাল পাইছিল। হেমলেটৰ মুখত প্ৰেমৰ ফুলজাৰি ফুটি উঠিছিল। ৰোমিও আৰু জুলিয়েটৰ প্ৰেম কালবিজয়ী,অমৰ। মণ্টাগো আৰু কেপিউলেট পৰিয়ালৰ ঘোৰ শত্ৰুতা থকা সত্বেও মণ্টাগো পৰিয়ালৰ ল'ৰা ৰোমিও আৰু কেপিউলেট পৰিয়ালৰ ছোৱালী জুলিয়েটৰ মাজত প্ৰেম হৈছিল। দুয়ো প্ৰেমৰ সাগৰত ডুব খাই শেষত বিষ খাই মৃত্যু বৰণ কৰিছিল। ৰোমিও আৰু জুলিয়েটৰ প্ৰেমৰ বক্তব্যবোৰ কি যে হৃদয় স্পৰ্শী বৰ্ণাব নোৱাৰি। জুলিয়েট কবৰৰ ওপৰত পৰি থকা অৱস্থাত ৰোমিওই বিদেশৰ পৰা ঘোৰাৰে আহি জুলিয়েতক চুমা খাই জুলিয়েট মৰা বুলি ভাবি বিষৰ বটল খাই প্ৰাণ ত্যাগ কৰে। অলপ পিচতে জুলিয়েট সাৰ পাই ৰোমিওক উদ্দেশি কলে "ৰোমিও, তুমি ইমান খকুৰা যে মোৰ কাৰণে অলপো বিষ এৰি নগলা। এইবুলি জুলিয়েটে ৰোমিওৰ হাতৰ পৰা বটল আনি চেলেকি খাই মৰি থাকিল। দুটা পৰিয়ালৰ শত্ৰুতাৰ বলি হ'ল দুটি ডেকা-গাভৰু। দুয়োটা পৰিয়ালে বুজি পালে তেঁওলোকৰ দোষৰ বাবে ৰোমিও আৰু জুলিয়েটৰ অমৰ প্ৰেম নিস্প্ৰভ হৈ গ'ল। জুলিয়াচ চিজাৰ নাটকত মাৰ্কাচ ব্ৰুটাচৰ প্ৰেমিক পত্নী পোৰ্চিয়াই কৈছিল "Tell me your counsels, I will not disclose them. I have made strong proof of my constancy, Given myself a voluntary wound Here, in the thigh. Can I bear that with and not my husband's secrets?" সম্ভ্ৰান্ত ৰোমান কেটোৰ জীয়েক পোৰ্চিয়াই তেঁওৰ স্বামী ব্ৰুটাচক তেঁওৰ গোপন আঁচনি সম্পৰ্কে জানিবলৈ দাবি কৰিছিল এই দৰে—

"তোমাৰ গোপন অভিসন্ধি সম্পেৰ্কে মোক কোৱা,
মই সেইবোৰ প্ৰকাশ নকৰিম।
মই মোৰ মনৰ দৃঢ়তা প্ৰমাণ কৰিছো,
মই মোৰ কৰঙণত ইচ্ছাকৃত আঘাত কৰিলো।
মই ধৈৰ্য্যৰে সেইটো সহ্য কৰিব পাৰিম,
আৰু মোৰ স্বামীৰ গোপনবোৰ নোৱাৰিম?

নাৰীৰ বলিষ্ঠ ডায়েলগে ব্ৰুটাৰ দৰে সন্মানিত স্বামীক বাধ্য কৰাইছিল জীৱনৰ গোপন অভিসন্ধি খুলি কবলৈ।

খলনায়ক কেচিয়াচে ব্ৰুটাচক কৈছিল—

"Men at some time are masters of their
The fault, dear Brutus, is not in our stars
But in our selves, that we are underlings."

"জীৱনৰ কোনো সময়ত মানুহ সিহঁতৰ ভাগ্যৰ গৰাকী, হে মৰমৰ ব্ৰুটাচ, দোষটো আমাৰ গ্ৰহ-নক্ষত্ৰৰ নহয়, আমাৰ নিজৰেই কাৰণ আমি দাস হৈ গৈছো। এই ডায়েলগটো

চিৰসত্য নহয়নে? হেমলেট নাটকত ৰাজকুমাৰ হেমলেটে কৈছিল, "Frailty, thy name is womn." অৰ্থাৎ "দুৰ্বলতা, তোমাৰ নামেই নাৰী।" উক্ত নাটকতে এটা ডায়েলগ আছে "One May somile and smile and be a villaih". অৰ্থাৎ "বেচিকৈ হঁহা মানুহ দুষ্ট চৰিত্ৰৰ।"

শ্বেক্সপীয়েৰৰ নাটকবোৰৰ প্ৰতিখনেই পাঁচ অংকীয়া।প্ৰতিখন নাটকেই হৃদয়স্পৰ্শী আৰু উপভোগ্য। কিছুমান সমালোচকে কয় শ্বেক্সপীয়েৰৰ নাটকত ব্যাকৰণৰ ভুল দেখা যায়। আচলতে তেওঁ ব্যাকৰণৰ নিয়মবোৰৰ প্ৰতি মন নিদিছিল। ভাষাৰ অলংকাৰ ব্যৱহাৰ কৰিবলৈ যাওঁতে তেঁও ব্যাকৰণৰ ক্ষেত্ৰত উজুটি খাইছিল। স্বতঃফুৰ্ত্ত লিখনিত এনেকুৱা হয়েই। কিছুমান সমালোচকে কয়, সাতত্ৰিশখন নাটক শ্বেক্সপীয়েৰে নিজে লিখা নহয়। বেলেগ বেলেগ নাট্যকাৰে তেওঁৰ নামত লিখিছিল। এইটো সমালোচনা ভিত্তিহীন যেন লাগে। কাৰণ বেলেগ নাট্যকাৰে ইমানবোৰ নাটক শ্বেক্সপীয়েৰৰ নামত নিলিখে। আকৌ নাটক বিলাকত চৰিত্ৰৰ নামাকৰণ কাহিনী, প্লট, লিখাৰ ষ্টাইল, ডায়েলগৰ তাৎপৰ্য্য বা বিশ্বজনীনতা এইবোৰৰ মিল আছে। নাটকবোৰ এখন দক্ষহাতৰ সৃষ্টি, এটা বুদ্ধিদীপ্ত মনৰ সৃষ্টি, চিন্তাৰ মৌলিকতা থকা চিৰ সেউজীয়া সৃষ্টি। নাটকবোৰ যি মানুহেই নিলিখক তেৱেঁই শ্বেক্সপীয়েৰ। তেওঁৰ নাটকবোৰ ইমান উপভোগ্য যে চিনেমালৈ ৰূপান্তৰিত হৈছে। তেঁও Original play wright . অইন নাটকৰ পৰা ধাৰ কৰা কাহিনী তেওঁৰ নাটকত নাই। Favourite author হিচাবে তেওঁৰ নামটো বহুতৰে প্ৰথম পচন্দৰ। ৰোমিও এণ্ড জুলিয়েট পঢ়িলে নাটকখন আধাতে এৰিব নোৱাৰি। একে পঢ়াই শেষ কৰিব লগা হয়।অন্য নাটকবোৰো ইয়াৰ ব্যতিক্ৰম নহয়। কেইটামান সীমিত পৃষ্ঠাত তেওঁৰ নাটকৰ বিশ্লেষণ কৰাটো ধৃষ্টতা মাথোন। সাগৰ সদৃশ প্ৰতিভাৰ আকৰ শ্বেক্সপীয়েৰ এটা যুগৰ নাট্যকাৰ নহয়, সৰ্বকালৰ নাট্যকাৰ। তেওঁৰ নাটকবোৰ আওপুৰণি নহয়, চিৰ নতুন, চিৰ সুন্দৰ। তেওঁৰ নাটকৰ বক্তব্যবোৰ পৃথিৱীৰ মানুহৰ মুখে মুখে। I do admire william shakspeare as a play wright for any reasons whatsoever. ■

## শশাংক দাস সোঁৱৰণী ৰূপালীম একাংকিকা নাট প্ৰতিযোগিতা
### ২০২৪ বৰ্ষত অংশ লোৱা নাট্য দলসমূহ

| ক্ৰ.নং | নাটকৰ নাম | নাট্য গোষ্ঠী |
|---|---|---|
| ১ | এলিছ ইন ওণ্ডাৰ লেণ্ড — গুৱাহাটী | গুৱাহাটী |
| ২ | স্বপ্ন আমাৰ সূৰ্যমুখী — গুৱাহাটী | গুৱাহাটী ( নিৰ্বাণ থিয়েটাৰ ) |
| ৩ | গোন্ধ | প্ৰজন্ম (নলবাৰী) |
| ৪ | বলুকাত বিয়লি বেলা | নগাঁও |
| ৫ | গণেশ্বৰ ঘাটৰ চোৰ | দুনী |
| ৬ | আমিও জীয়াই থাকিব বিচাৰো | বামুন্দী |
| ৭ | চেণ্ডেল | গুৱাহাটী, নটতীৰ্থ |
| ৮ | ঢলি পৰা বেলি | ছিপাঝাৰ |
| ৯ | এক্সিডেন্ট | হালোগাঁও |
| ১০ | পোক | নলবাৰী, পাহি ক্ৰিয়েচন |
| ১১ | বৃন্দাবন যাত্ৰা | নলবাৰী, টিহু |
| ১২ | সৎকাৰ | নলবাৰী, নাট্য চৰ্চা |
| ১৩ | যাত্ৰা | কলিয়াবৰ |
| ১৪ | জীৱনৰ বিত্ত বৃত্তৰ জীৱন | জাগীৰোড |
| ১৫ | টোকোৰা চৰাইৰ বাহ | নলবাৰী, দিনবন্ধু নাট্য গোষ্ঠী |
| ১৬ | অসুখ | বামুন্দী প্ৰবাহ গোষ্ঠী |
| ১৭ | আত্মাৰ আৱিষ্কাৰ | কলিয়াবৰ শ্বহীদ সোঁৱৰণী |
| ১৮ | খিৰিকী | কলিয়াবৰ |

# অনন্য প্ৰতিভাৰ পুৰুষ শশাংক দাস কলিতা

■ **প্ৰভাত চন্দ্ৰ শালৈ**



'**শশাঙ্ক দাস কলিতা**' হালোগাঁও-বামুন্দী তথা হাজো-শুৱালকুছি অঞ্চলৰ সকলৰে এটি পৰিচিত নাম। কেতিয়াবা কোনো এখন সমাজত এনে একোজন সুদক্ষ ব্যক্তিৰ জন্ম হয়, যিজনৰ ব্যক্তিত্বই সমাজখনৰ বহুমুখী ৰঙ্গমঞ্চত এক বিশেষ স্থান দখল কৰি সমাজখনৰ উন্নয়নকল্পে দেহ মন অৰ্পিত কৰি ইয়াৰ গতিধাৰাই সলনি কৰি দিয়ে। হালোগাঁও সমাজৰ তেনে এজন বিৰল প্ৰতিভাৰ গৰাকী সুদক্ষ আৰু মানৱদৰদী পুৰুষ আছিল শশাঙ্ক দাস কলিতা, যিজন ব্যক্তি অগ্ৰজসকলৰ বাবে আছিল 'চন্দন' আৰু অনুজ সকলৰ বাবে আছিল 'চন্দনদা'। জীৱন কাল ছুটি হোৱা স্বত্বেও কিছুমান প্ৰতিভাৱান পুৰুষে বিচিত্ৰ অভিজ্ঞতা অৰ্জন কৰে। চিৰকালৰ বাবে মানুহৰ মনত স্মৰণীয় হৈ থাকে। শশাঙ্ক দাল কলিতাও হালোগাঁও সমাজৰ তেনে এজন অনন্য প্ৰতিভাৰ চিৰস্মৰণীয় ক্ষণজন্মা পুৰুষ।

১৯৬০ চনৰ ৩০ অক্টোবৰত হালোগাঁও লাচিত নগৰ চুবুৰীত শশাঙ্ক দাস কলিতাৰ জন্ম হয়। তেওঁৰ দেউতাক আছিল হালোগাঁৰৰ সিংহপুৰুষ, নিঃস্বাৰ্থ সমাজকৰ্মী, দৰিদ্ৰৰ সেৱক স্বাধীনতা সংগ্ৰামী, বামুন্দী হাইস্কুলৰ প্ৰাক্তন সহকাৰী প্ৰধান শিক্ষক প্ৰয়াত লক্ষেশ্বৰ দাস। মাক শ্ৰীনিহাৰিকা দাস এতিয়াও জীৱিত। চন্দনে মোমায়েকৰ ঘৰত থাকি প্ৰাথমিক শিক্ষা লাভ কৰে। (মোমায়েকৰ ঘৰ শিৱসাগৰ জিলাৰ সাপেখাঁটীৰ বৰুৱা নগৰৰ কুঁৱৰীবাৰী চাহ বাগিচাত) ১৯৭৩ চনত বামুন্দী হাইস্কুলত নামভৰ্ত্তি কৰি হাইস্কুলীয়া জীৱন আৰম্ভ কৰে। ইং ১৯৭৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰাগজ্যোতিষ কলেজত কলেজীয়া জীৱন আৰম্ভ কৰে। প্ৰি ইউনিভাৰচিটি পাঠ্যক্ৰম শেষ নকৰাকৈয়ে 'ITI' ত নামভৰ্ত্তি কৰে। সেই সময়তে দেউতাক লক্ষেশ্বৰ দাসৰ আকস্মিক আৰু অকাল বিয়োগ হোৱাত 'ITI' পাঠ্যক্ৰমো অসমাপ্ত হৈ ৰ'ল। তেতিয়াৰ পৰাই পৰিয়াল পৰিচালনাৰ দায়িত্ব পালন কৰিব লগীয়া হোৱাত উচ্চ শিক্ষা আহৰণৰ পৰা বঞ্চিত হয়। পিচলৈ হিন্দী বিষয়ৰ প্ৰয়োজনীয় শিক্ষা লাভ কৰি নৱনিৰ্মিত হালোগাঁও উচ্চমাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰি বিদ্যালয় প্ৰতিষ্ঠাত আত্মনিয়োগ কৰিছিল। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে তেওঁ উক্ত বিদ্যালয়খনৰ প্ৰতিস্থাপক যুটীয়া সম্পাদক আছিল। মৃত্যুৰ আগমুহূৰ্তলৈ নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে চন্দনে তেঁওলোকৰ ডাঙৰ পৰিয়ালটোৰ গধূৰ দায়িত্ব সুকলমে পালন কৰছিল।

শশাঙ্ক দাস কলিতা আছিল এজন বিৰল প্ৰতিভাৰ ব্যক্তি। তেওঁ একেধাৰে এজন সংগীত শিল্পী, গীতিকাৰ, সু-অভিনেতা, সু-নাট পৰিচালক, এজন দক্ষ আৰু প্ৰিয়ভাজন শিক্ষক, সমাজ সংগঠক আৰু হাড়ে হিমজুৱে এজন সংস্কৃতিৱান ব্যক্তি। হালোগাঁৰৰ বিভিন্ন অনুস্থান প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোত সম্পৰ্ক আছিল। হালোগাঁও বেচৰকাৰী পঞ্চায়ত, হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰাল, পুবেৰুণ শিল্পী সমাজ, হালোগাঁও উচ্চতৰ মাধমিক বিদ্যালয়, হালোগাঁও শাখা ছাত্ৰ সন্থা, হালোগাঁও ক্ৰীড়া সন্থা আদি সকলো অনুষ্ঠানতে চন্দনৰ অৱদান আছিল অপৰিসীম। "দেশ বুলিলে আদেশ নালাগে"— মন্ত্ৰৰ দ্বাৰা অনুপ্ৰাণিত হৈ যিকোনো পৰিস্থিতিৰ সন্মুখীন হৈছিল আৰু সমস্যা সমাধান কৰিবলৈ চেষ্টা কৰিছিল।

তেওঁ অতি কম বয়সতে হালোগাঁও ৰাইজৰ হিয়াৰ আমঠু ঐক্যৰ প্ৰতিক আৰু প্ৰগতিৰ উৎস হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সহকাৰী সম্পাদক হিচাবে চিনাকি দিব পাৰিছিল। সেয়া ১৯৭৯ চনৰ কথা। মই উল্লিখিত হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সভাপতি আৰু চন্দন সহকাৰী সম্পাদক। হাজো উন্নয়নখণ্ডৰ কাৰ্যালয়ৰ পৰা অনুদান হিচাপে লাভ কৰা কাঠৰ আলমাৰী, চকী, আৰ্ম বেঞ্চ, মেজ আদি আঁচবাবখিনি চৰকাৰী কাৰ্যালয়ৰ পৰা চমজি লৈ কাৰ্যালয়ৰ সন্মুখৰ ৰাষ্টাত সেই সময়ত দুপৰীয়া ১.৩০ বজাত হালোগাঁওলৈ আহিব লগীয়া বাছ গাড়ীলৈ অপেক্ষা কৰি থাকিলো। কিন্তু গাড়ীৰ ঠাইৰ অভাৱৰ বাবে আমাৰ আঁচবাবখিনি গাড়ীত উঠাব নোৱাৰিলে। আমি মহা সমস্যাত পৰিলো (তেতিয়া আজি কালিৰ দৰে যান-বাহনৰ অবাধ চলাচল নাছিল।) মই গৈছিলো লাইন বাছত আৰু চন্দন গৈছিল চাইকেলেৰে।

সি কলে “প্ৰভাত কা তই মোৰ চাইকেলখন লৈ যায় থাক। মই যিকোনো উপায়ে লটিবাৰীৰ বাচত বস্তুখিনি লৈহে যাম” মই ঘৰলৈ আহি সন্ধিয়া সাত বজাত সংঘৰ সন্মুখৰ ৰাষ্টাত ৰৈ থাকিলো। মোৰ চকু গাড়ীৰ হেড লাইটৰ প্ৰতি। ৭.৩০ বজাত লটিবাৰী গাড়ীত চন্দন আঁচবাববোৰৰ সৈতে সংঘৰ সন্মুখত হাজিৰ। সেই দিনাই চন্দনৰ কৰ্মশক্তি আৰু দায়িত্ববোধে মোক চমকিত কৰিছিল।

সৰুকালৰ পৰাই চন্দনৰ গীত-মাত আৰু অভিনয়ত ৰাপ আছিল। সৰু কালতে তেওঁ সেই সময়ৰ গাঁৱৰ ‘সংকীৰ্তন’ দলৰ পাঠক আছিল। ১৯৭৫ চনত হাইস্কুলীয়া জীৱনতে হালোগাঁও শিল্পী সমাজে মঞ্চস্থ কৰা এখন নাটকত এটা সৰু ল’ৰাৰ চৰিত্ৰত অভিনয় কৰিছিল। বাকপটু, সহনশীল, মৰমীয়াল, চন্দন আছিল হালোগাঁওৰ সাংস্কৃতিক জগতখনৰ উজ্বল নক্ষত্ৰ। কুৰি শতিকাৰ ৭০ দশকৰ শেষৰ পিনে হালোগাঁওৰ কেইজমান সংস্কৃতিপ্ৰেমী ব্যক্তিৰ উদ্যোগত “জ্যোতি সুৰশিল্পী” নামৰ এটি সংগীত শিল্পী দলৰ জন্ম হৈছিল। এই দলটিয়ে গাঁৱৰ বিভিন্ন পৰিয়ালৰ চোতালত গীত-মাত পৰিৱেশন কৰি গাঁৱত এক সংগীত বিপ্লৱৰ পাতনি মেলিছিল। বিহুগীত, আধুনিকগীত, বিষ্ণুৰাভা সংগীত, জ্যোতি সংগীত, আদি বিভিন্ন ধৰণৰ গীত গাই হালোগাঁওৰ সংগীত জগতত এক জোৱাৰ আনিবলৈ সক্ষম হৈছিল।

হালোগাঁওৰ নাট্য আন্দোলনৰ বৰ্ষীয়ান অভিনেতা আছিল নাটক পাগল শশাংক দাস কলিতা। অভিনেতা হিচাবে নিজ প্ৰতিভাৰ বলত হালোগাঁও বামুন্দীৰ নাট্য জগতত এক সুকীয়া স্থান লাভ কৰিছিল। অভিনয়ত বলীয়া হৈ তেওঁ কিছুদিনৰ বাবে বিদ্যালয় ত্যাগ কৰি ভ্ৰাম্যমান থিয়েটাৰৰ মঞ্চত অভিনয় কৰিছিল কিন্তু পৰিয়ালৰ হেচাত তেওঁ পুনৰ বিদ্যালয়লৈ উভতি আহে। যদিহে তেঁও ভ্ৰাম্যমান থিয়েটাৰৰ পৰা উভতি নাহিলহেঁতেন তেওঁ অসমৰ থিয়েটাৰ জগতৰ এজন সুপ্ৰতিষ্ঠিত অভিনেতা হিচাবে চিনাকি দিব পাৰিলেহেঁতেন। ‘চন্দন’ আছিল পুবেৰুণ নাট্য পৰিষদৰ এজন নিয়মিয়া অভিনেতা আৰু সুকণ্ঠ শিল্পী। গীতিনৃত্যনাটিকা সমূহত চন্দনৰ সুললিত কণ্ঠৰ মনপৰশা গীত আৰু সুমধুৰ সংলাপবোৰে দৰ্শক শ্ৰোতাক বাৰুকৈয়ে আপ্লুত কৰিছিল। পুবেৰুন নাট্য পৰিষদৰ বিভিন্ন মঞ্চত “পায়েলীয়” শীৰ্ষক হিন্দী গীতটি পৰিবেশন কৰি দৰ্শক শ্ৰোতাৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। গুৰু দক্ষিণা নাটকত শঙ্খসুৰৰ চৰিত্ৰ, মহিষাসুৰ নাটকত মহিষাসুৰৰ চৰিত্ৰ সতীৰ ঘাট নাটকত জতাধৰৰ চৰিত্ৰ আৰু ৰূপ হ’ল “অভিশাপ নাটকত” লালচাদৰ চৰিত্ৰত সুন্দৰ অভিনয় কৰি পুবেৰুণ নাট্য পৰিষদক যাত্ৰা পাৰ্টিৰ নাট্য জগতৰ উচ্চ শিখৰত অৱতীৰ্ণ কৰিছিল। কৃষ্ণজ্যোতি নাট্য পৰিষদৰ মঞ্চত মুক্তিযজ্ঞ নাটকত কৰা ৰাৱণৰ বলিষ্ঠ অভিনয় কোনেও পাহৰিব নোৱাৰে। বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰালৰ বাৰ্ষিক অভিবেশনত “টিকেন্দ্ৰজিৎ” নাটকৰ প্ৰধান আৰু বলিষ্ঠ চৰিত্ৰ “ঠেঙাল জেনেৰেল” ৰূপায়িত কৰি তেওঁৰ নিপুন অভিনয় শৈলীৰ পৰিচয় দিয়ে। এজন বলিষ্ঠ অভিনেতা হোৱাৰ ওপৰিও বিভিন্ন ঠাইত বিভিন্ন নাট্য গোষ্ঠীৰ নাট পৰিচালনা কৰি সু-নাট পৰিচালক বিচাবেও চিনাকি দিব পাৰিছিল।

চন্দন হালোগাঁও শাখা ছাত্ৰ সন্থা আৰু পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ লগত ওতঃপ্ৰোত ভাবে জড়িত আছিল। ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ চলা অসমৰ বিদেশী বহিস্কাৰ আন্দোলনত পশ্চিম বংশৰ মৌজাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নেতা হিচাবে শশাঙ্ক দাস কলিতাই এক গুৰু দায়িত্ব বহন কৰি হাজো সমষ্টিৰ এজন সংগ্ৰামী নেতা হিচাবে আত্মপ্ৰকাশ কৰিছিল। বিদেশী বহিস্কাৰ আন্দোলনৰ সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ সমূহীয়া কাৰ্যসূচীত শশাঙ্ক দাস কলিতাই অংশ গ্ৰহণ কৰি হালোগাঁও শাখা ছাত্ৰ সন্থালৈ গৌৰৱ কঢ়িয়াই আনিছিল।

হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ ৭০ বছৰীয়া প্ৰতিষ্ঠা দিৱসত উদ্‌যাপন সমিতিৰ বিত্ত সম্পাদক হিচাপেও তেওঁ সুকলমে দায়িত্ব পালন কৰিছিল। প্ৰতিষ্ঠা দিৱসৰ স্মৰণিকা “সন্ধানৰ পাতত লিখা “বন্দনা” শীৰ্ষক কবিতাটি লিখি তেওঁ কবিসুলভ মনৰ পৰিচয় দিছিল। এই অনুষ্ঠানটিৰ সৈতে তেওঁৰ এক আত্মিক সম্পৰ্ক গঢ়ি উঠিছিল। প্ৰতিবছৰে হালোগাঁও সেৱক সংঘৰ সৌজন্যত উদ্‌যাপিত হোৱা হালোগাঁও ৰঙালী বিহু সন্মিলনৰ সাংস্কৃতিক মঞ্চৰ ঘোষক, গায়ক আৰু বিভিন্ন প্ৰতিযোগিতাৰ বিচাৰকৰ আসন শুৱনি কৰি তেওঁৰ বহুমুখী শিল্প নৈপুন্যৰ পৰিচয় দিছিল। হালোগাঁও ৰঙালী বিহু সন্মিলনৰ সভাপতিৰ দায়িত্ব তেওঁ নিষ্ঠাৰে গ্ৰহণ কৰিছিল।

পাৰিবাৰিক জীৱনত তেঁও কিছু উদাসীন আছিল যদিও পৰিয়ালৰ দায়িত্ব সুকলমে পালন কৰি যুগ্ম পৰিয়ালটোৰ সদস্য সকলৰ মাজত মিলাপ্ৰিতী আৰু ঐক্যতা বজাই ৰাখিছিল। ‘মানুহ মৰণীল’। মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা কোনেও হাত সাৰিব নোৱাৰে। শশাঙ্ক দাস কলিতাও মৃত্যুৰ পৰা অব্যাহতি নাপালে যদিও অতিকম সময়ৰ ভিতৰতে হালোগাঁওত এটি চিৰস্মৰণীয় স্তম্ভ স্থাপন কৰি গ’ল। এইদৰে সময়ৰ বালিত খোজ থৈ ২০১৯ চনৰ ৬ ফেব্ৰুৱাৰীত ৫৯ বছৰ বয়সত পৃথিৱীৰ পৰা চিৰ বিদায় মাগে।

সদৌ শেষত স্বৰ্গীয় লঙ্কেশ্বৰ দাস স্মৃতি ন্যাসৰ উদ্যোগত আৰু হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সহযোগত সদৌ অসম ভিত্তিত প্ৰতিবছৰে শশাংক দাস সোঁৱৰণী একাঙ্কিকা নাট প্ৰতিযোগিতাৰ জৰিয়তে “চন্দক” ৰাইজৰ মাত সদায় সজীৱ কৰি ৰাখিবলৈ কৰা পৰিয়ালবৰ্গৰ প্ৰচেষ্টাৰ শলাগ লৈ ‘চন্দন’ৰ আত্মাৰ সদগতি কামনা কৰিলোঁ। ■

# সংস্কৃতিৰ পথাৰত ‘চন্দন’

■ যতীন চৌধুৰী

■ দেৱকুমাৰ কলিতা

এক প্ৰচুৰ সাংস্কৃতিক সম্ভাৱনাৰ ভঁৰাল শশাংক দাস কলিতা (চন্দন) কোনো এক অজান দেশলৈ আমাক সকলোকে শোক সাগৰত বুৰাই থৈ অকালতে গুচি গ’ল। বহুমুখী প্ৰতিভাধৰ ভাতৃপ্ৰতীম চন্দনৰ সাংস্কৃতিক জগতখনত আগবঢ়োৱা অৱদানৰ কিছুকথা এই প্ৰৱন্ধত সন্নিবিষ্ট কৰাৰ প্ৰয়াস কৰিছো। লিখনি দুটা ভাগত ভাগ কৰিছো প্ৰথম অংশ চন্দনৰ সঙ্গীত বিভাগত আৰু দ্বিতীয় অংশ নাটকৰ অভনয় বিভাগত অৱদানৰ কথা কবলৈ প্ৰয়াস কৰিছো।

আৰম্ভ কৰিব ওলাইছো যদিও অশ্ৰুজলে বাধা নেমানে, কাৰণ বয়সৰ জোখেৰে আমি চন্দনৰ স্মৃতিত লিখিব নালাগিছিল, কিন্তু আমি জানো কালৰ কুটিল কৰ্মকাণ্ডত আমাৰ কোনো হাত নাই। আৰম্ভনিতেই মনত পৰে ১৯৭৩ চনলৈ, নাটকীয়ভাবে চন্দন আহে আমাৰ সংস্পৰ্শলৈ। আমি এখন সামাজিক নাটক কৰিছিলো নাম ‘মানুহ’ নিজৰ গাওঁখনৰ উপৰিও ওচৰ পাজৰৰ কেইবাখনো গাওঁত নাটখন প্ৰদৰ্শন কৰি প্ৰশংসা পাইছিলো। কুৰুৱা হাইস্কুল প্ৰধান শিক্ষক শ্ৰীবিপিন নাথ দাদাই (হালোগাওঁৰে ব্যক্তি) তেখেতৰ বিদ্যালয়ৰ সৰস্বতী পূজাত নাটখন প্ৰদৰ্শনৰ বাবে আমাক আমন্ত্ৰণ জনালে। কিন্তু নিৰ্দিষ্ট দিনৰ কেইদিনমান আগতে আমাৰ গায়ক, সঙ্গীত নৃত্য পৰিচালক জ্যোতিষ নাথ দাস শিক্ষামুলক ভ্ৰমণত চেন্নাইলৈ যাব লগা হ’ল। আনহাতে গায়িকাজনীও বিশেষ অসুবিধাৰ বাবে যাব নোৱাৰে। মাজত মাথো দুদিন সময় আমাৰ মাজৰে গিৰিশ কলিতাই গীত অংশ গাবলৈ দায়িত্ব ল’লে, হাৰমনিয়ম বজাবৰ বাবে শুৱালকুছিৰ ছবিন দাস নামৰ শালবোৰনী এজনক থিক কৰিলো, এতিয়া গায়িকা কোনোবাই ক’লে দীনবন্ধু লঙ্কেশ্বৰ দাসৰ দ্বিতীয় সন্তান চন্দনে ছোৱালীৰ দৰে কোমল কণ্ঠেৰে গীত গাই। লগে লগে মই তাৰিণী কলিতা, দেৱকুমাৰ আৰু কলাকা (পদ্মৰাম নাথ সকলোৰে কলাকা) ছাৰৰ ওচৰলৈ গৈ চন্দনক গান গাই দিয়াৰ বাবে অনুমতি বিচাৰিলো, তেখেতে ক’লে “তহতে যে পূৰ্ণাংগ নাটক এখনত গান গাবৰ বাবে এই নাওমান আপাতুক নিব আহিছ সিনো কি গান গাবও ফল” হাতে ভৰিয়ে ধৰি তেখেতক সন্মত কৰালো। আবেলীৰ পৰা ৰিহাৰ্চল চলিল। কুৰুৱালৈ গৈ নাটক কৰিলো। সেই সময়ত উচ্চৰবকাৰী যন্ত্ৰৰ উন্নত ব্যৱস্থা নাছিল। দুটাই মাথোন মাইক্ৰফোন। এটা থাকে মঞ্চত আনটো পিছফালে গায়ক গায়িকা বাদ্যযন্ত্ৰী সকলৰ বাবে উমৈহতীয়া। মই নাটিকাৰ কথা অংশ কও কাৰণে চন্দনক মোৰ কোলাত বহুৱাই লৈ মহিলা





কণ্ঠৰ গীখিনি গোৱালো। চন্দনে সুন্দৰভাৱে গীতখিনি গালে। তাৰ পিছত কেইবছৰ মান আমাৰ যোগসূত্ৰ নাই। ১৯৭৮ চনত পঢ়া আধৰুৱা কৰি গুৱাহাটীৰ পৰা ঘুৰি আহিল কাৰণ সেই সময়তে তেওঁৰ পিতৃ দীনবন্ধু লক্ষেশ্বৰ দাসৰ হঠাৎ পৰলোক প্ৰাপ্তি ঘটিছিল। তেতিয়া চন্দন এজন সুন্দৰ সুঠাম গলগলিয়া মাতৰ অধিকাৰী যুৱক। তেওঁ কতো সঙ্গীতৰ অথবা অভিনয়ৰ শিক্ষা গ্ৰহণ কৰা নাছিল কিন্তু আছিল এক স্বভাৱ শিল্পী। গীতেই হওঁক বা অভিনয়েই হওঁক তেওঁ তাৰ মাজত সোমাই পৰে।

১৯৭৮ চনত মই আৰু ভাতৃপ্ৰীতম, ৰাজেন মেধি, জ্যোতিষ নাথ, বিশ্বনাথ কলিতা, ভূপেশ কলিতা, যোগেন নাথ আৰু প্ৰয়াত নগেন পাঠক লগ লাগি জ্যোতি সুৰ শিল্পী নাম দি সঙ্গীত শিল্পী দল গঠন কৰো। তাত চন্দনে মুখ্য গায়কৰ ৰূপত নিজৰ প্ৰতিভা বিকাশৰ সুযোগ পায়। চন্দনে নিজকে প্ৰতিস্থিত কৰে আৰু পিছলৈ উভতি চাব লগা হোৱা নাই। আমিয়েই বোধহয় এই অঞ্চলৰ দলগত ভাৱে মঞ্চত সঙ্গীতালেখ্য উপস্থাপন কৰা প্ৰথম দল। সকলোধৰণৰ গীত গাব জনা চন্দনৰ ভূমিকা আছিল সকলোৰে ওপৰত। ১৯৭৯ চনত জ্যোতি সুৰ শিল্পীদলক পুবেৰুণ শিল্পী সংঘলৈ ৰূপান্তৰ কৰা হ'ল। নিজাকৈ কাৰ্যালয়ো বনোৱা হ'ল। সদস্যৰ সংখ্যা ২৭ জনলৈ বৃদ্ধি কৰা হ'ল, য'ত মহিলা সদস্যও অৰ্ন্তভূক্ত হৈছিল। নিজৰ কাৰ্যালয়ত সঙ্গীতৰ চৰ্চাৰে এটি পূৰ্ণাংগ সাংস্কৃতিক দল গঠন হৈ উঠিল। চন্দন তাৰ নিয়মীয়া কণ্ঠ শিল্পী। সেই সময়ত আন্দোলনৰ ভৰপক সময়। চন্দন ছাত্ৰসন্থাৰ লগত জড়িত তথা বিষয়ববীয়া। তথাপিও কিন্তু সঙ্গীত চৰ্চা বাদ দিয়া নাই। অঞ্চলটোৰ বিভিন্ন স্থানত আমি দেশপ্ৰেমমূলক গীত পৰিবেশন কৰি ফুৰিলো, আনকি চোতালে চোতালে কৰা জলসা বোৰত শ শ দৰ্শকৰ সমুখত জ্যোতি- ৰাভা আৰু ভূপেন্দ্ৰ সঙ্গীতৰ জোৱাৰ তুলিলো। নক'লেও হ'ব গীতৰ সিংহভাগ চন্দনে অকলেই সামৰিছিল। ৰাভাগীত, জ্যোতিসঙ্গীত, পাৰ্বতীপ্ৰসাদৰগীত, ভূপেন হাজৰিকা আৰু জয়ন্ত হাজৰিকাৰ গীত কতনো নাছিল চন্দন সিদ্ধহস্ত। চন্দনৰ প্ৰিয়গীত আছি "শুন শুন ৰে সুৰ বৈৰী প্ৰমানা" প্ৰতিখন সঙ্গীতানুস্থানতে চন্দনে এই গীতটি প্ৰথমতে পৰিবেশন কৰি দৰ্শকৰ মনত গভীৰ ৰেখাপাত কৰিছিল। কণ্ঠস্বৰৰ গভীৰতা আৰু ব্যক্তিত্বৰ সমাহাৰ ঘটিছিল চন্দনৰ গীত পৰিবেশনত। জ্যেষ্ঠ জনৰ প্ৰতি সন্মান আৰু দায়িত্বৰ দায়বদ্ধতা তেওঁ নিয়াৰিকৈ পালন কৰি পুবেৰুণ শিল্পী সংঘক এখন উচ্চ স্থান দিবলৈ সক্ষম হৈছিল। কথাছবিৰ ৰিলত দেখাৰ দৰে তেওঁ পৰিবেশন কৰা সকলো অনুষ্ঠানৰ ছবি মোৰ চকুৰ সমুখত আজি উন্মেচিত হৈছে। নলবাৰী জিলাৰ সানেকুছি গাওঁত হোৱা বিহু সন্মিলনত আমি সদায়ে আমন্ত্ৰিত হওঁ। আমাৰ দলত নৃত্য গীত সকলো আছিল। সেইবাবে ৰাইজে আমাৰ পৰা বিভিন্ন ধৰণৰ অনুষ্ঠান উপভোগ কৰিব পৰিছিল। এই অঞ্চলৰ আমিয়েই একমাত্ৰ সাংস্কৃতিক দল য'ত মানিক কলিতাই কীবোৰ্ড, লক্ষেশ্বৰ উজিৰে ট্ৰিবল কঙ্গো, ৰাজেন মেধিয়ে গীতাৰ আৰু ভূপেশ কলিতাই মেন্দোলিন বজাইছিল এই বাদ্যযন্ত্ৰৰ লগত চন্দনে সুৰদি কণ্ঠেৰে এটাৰ পিছত এটাতৈ বিভিন্ন যুগজয়ী গায়কৰ গীত পৰিবেশন কৰি শ্ৰোতা দৰ্শকৰ মনত আনন্দৰ জোৱাৰ তুলিছিল। তাৰ প্ৰমাণ ১৯৮০ চনত এটা গায়কৰ দল লৈ যাওতে বিভিন্ন জনে চন্দনৰ কথা শুধিছিল। তেওঁ গোৱা ভীমকল শীৰ্ষক গীতটিৰ কথা আন্তৰিকতাৰে স্মৰণ কৰিছিল। ধন্যবাদ চন্দন আজি তোমাৰ বাবেই হালোগাওঁৰ নাম ৩০ বছৰ ধৰি অনুষ্ঠান পৰিৱেশন কৰা ঠাইখনৰ মানুহে মনত ৰাখিছে। পুৱেৰুণ শিল্পী সংঘ বৰ্তী থকালৈ তেওঁ সংঘৰ বেনাৰতে গীত পৰিবেশন কৰিছিল। নিৰ্ভুল সুৰ আৰু শব্দৰ শুদ্ধ প্ৰক্ষেপন আছিল চন্দনৰ গীত পৰিবেশনৰ বৈশিষ্ট্য।

দায়িত্ববোধ, কৰ্ম কুশলতা আৰু কৃষ্টি সংস্কৃতিৰ প্ৰতি থকা অতি মনযোগৰ বাবে চন্দনে নিজকে এজন প্ৰকৃত শিল্পী হিচাবে প্ৰতিস্থিত কৰিব পৰিছিল। বহুত সাংস্কৃতিক অনুষ্ঠান চাইছো সেই বিলাকত বাদ্যযন্ত্ৰৰ অলাগতিয়াল কেৰিকেচাৰত বাহিৰে একো নাই। তাৰ পৰিৱৰ্তে চন্দনৰ গীতত আছিল এক সুৱাদি উপস্থাপন, মোৰ মনত তেওঁৰ কণ্ঠস্তৰ আৰু গায়নশৈলী বিচাৰি পাবলৈ নাই। পিতৃৰ পদাঙ্ক অনুসৰন কৰি চন্দনৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীমান জিতাংকুৰেও সাংস্কৃতিক জগতত খোজ পেলাইছে। এই চেগতে জিতাংকুৰৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

হালোগাওঁত নাটক মানে চন্দনৰ নাম আহিবই। ৭০ ৰ দশকৰ পৰা আজি একবিংশ শতিকাৰ ২০১৮ চনলৈ একেৰাহে বিভিন্ন নাট্যগোষ্ঠীৰ লগত তেওঁ জৰিত। ১৯৭৮-৭৯ চনত নাটক পাগল ডাঃ প্ৰদীপ শৰ্মাই যুৱক সকলক নাটক কৰাৰ বাবে প্ৰেৰণা দিছিল। চন্দনৰ তত্বাৱধানত আমাৰ গাওঁত এটা একাঙ্কীকা নাট পৰিবেশন কৰা দল গঠিত হয়। সেই সময়ত বিভিন্ন স্থানত চলি থকা একাঙ্কিকা নাট প্ৰতিযোগিতা সমূহত ভাগ লৈ পুৰস্কাৰ পাবলৈ সক্ষম হয়। 'অভিযাত্ৰা' নামৰ নাটকখনে ২০ টা প্ৰথম পুৰস্কাৰ পায়, এই নাটকখনৰ কেন্দ্ৰীয় চৰিত্ৰত অভিনয় কৰিছিল চন্দনে। তেওঁৰ বলিষ্ঠ আৰু সাবলীল অভিনয় পুৰস্কাৰ প্ৰাপ্তিত যথেষ্ট সহায় কৰিছিল।

১৯৮২ চনৰ পৰা পুবেৰুণ শিল্পীসংঘই প্ৰথমে পুবেৰুণ মিনি থিয়েটাৰ আৰু পিছত পুবেৰুণ নাট্যপৰিষদ নাম দি এটি পূৰ্ণাংগ নাট্যদল গঠন কৰে। পুবেৰুণ নাট্য পৰিষদে প্ৰায় ১৪ বছৰ ধৰি নামনি অসমৰ বিভিন্ন প্ৰান্তত নাট পৰিবেশন কৰি

ফুৰিছিল। চন্দন এই নাট্যদলৰ নিয়মীয়া অভিনেতা আৰু কণ্ঠশিল্পী। বিখ্যাত চৰিত্ৰত অভিনয় কৰি চন্দনে নিজৰ দক্ষতা প্ৰতিপন্ন কৰিছিল তাৰ কিছু আভাষহে দিম। সতীৰ ঘাট নাটকত এজন গাৱলীয়া আদৰ্শবান যুৱকৰ চৰিত্ৰ ৰূপায়ন কৰিছিল। কান্ধত লাঠি লৈ সাজঘৰৰ বাহিৰত বচন আওৰাই পায়চাৰী কৰি থকা চন্দনক আমাৰ চকুৰ সমুখতে থকা যেন লাগে। সকলো অভিনেতাকে নিষ্প্ৰভ কৰি জটাধৰ ৰূপী চন্দনে নাটকখন উচ্চ শিখৰলৈ লৈ গৈছিল। 'ৰূপহল অভিশাপ' নাটকত লালচাদৰ সুন্দৰ অভিনয়, 'ভাৰতনাৰী'ত শিকলি চিঙা দৃশ্য আজিও দৰ্শকে মনত ৰাখিছে। সেই সময়ত পূবেৰুণত বহুকেইজন নামী অভিনেতাই অভিনয় কৰিছিল কিন্তু চন্দনে নিজ প্ৰতিভাৰে নিজৰ এখন সুকীয়া স্থান পাবলৈ সক্ষম হৈছিল। তেওঁ যি চৰিত্ৰকে কৰিছিল তাৰ ভিতৰত সোমাই গৈছিল। তেওঁ অতি জীৱন্তভাবে নিজকে চৰিত্ৰৰ মাজত মিলাই গৈছিল। নাটকত হিৰো সকলক হাত তালি দি চিঞৰি সমৰ্থন কৰা দেখিছো কিন্তু 'গুৰু দক্ষিণা' নাটকত কৰা শঙ্খাসুৰ দৈত্যৰ ভিলেইন চৰিত্ৰক মানুহে হাততালি দি উৎসাহিত কৰিছিল তাৰ অৰ্থ কি আছিল? অৰ্থাৎ চন্দনে প্ৰাণঢালি কৰা অভিনয়। নাটকখন চাই দৰ্শকে বাৰে বাৰে চাবলৈ বিচাৰিছিল। আন এখন নাটক 'মহিষাসুৰ' তাত তেওঁ মহিষাসুৰৰ অভিনয় কৰিছিল। সুবোধ চৌধুৰীয়ে বনাই দি দুই শিং থকা মুকুট পিন্ধি মঞ্চত প্ৰবেশ কৰিয়ে যি অট্টহাহি মাৰে সেয়া দেখি মঞ্চৰ সমুখত বহা বহুত দৰ্শক ভয়তে উঠি দৌৰ মৰা নিজ চকুৰে দেখিছো। চন্দনৰ দৰে অভিনেতা থকা বাবেই উত্তৰ আৰু দক্ষিণ কামৰূপত শ্ৰীমাধৱ নাট্য পৰিষদৰ বাদে আন নাট্যদলে পূবেৰুণৰ লগত ফেৰ মাৰিব পৰা নাছিল।

ইয়াৰ মাজতে চন্দনে ৰামদিয়া, বামুন্দীৰ মা মনসা আৰু হালোগাওঁৰ কৃষ্ণজ্যোতি নাট্য পৰিষদত অভিনয় কৰিছিল। বিশেষকৈ কৃষ্ণজ্যোতিত মুক্তি যজ্ঞত তেওঁ কৰা ৰাৱণৰ অভিনয়ে দৰ্শকৰ মতে চন্দনক শ্ৰেষ্ঠ অভিনেতাৰ সন্মান দিবলৈ কুণ্ঠাবোধ কৰা উচিত নহয়। চন্দনে অভিনয়ৰ লগতে নেপথ্যৰ গায়কৰ ভূমিকাও পালন কৰিছিল। চন্দনে নাট্যদলৰ আধাতকৈ বেছি দায়িত্ব অকলেই পালন কৰিছিল। অভিনেতা, কণ্ঠশিল্পী আদি সকলো দায়িত্ব লৈছিল। আমি হিন্দু ছবি দিৱানাৰ পায়লিয়া শীৰ্ষক গীতৰ নৃত্য মঞ্চতয়ান কৰিছিলো। চন্দনে শুদ্ধ হিন্দু উচ্চাৰণ আৰু সুৱদি কণ্ঠস্বৰে উক্ত নৃত্য আৰু গীত ইমানেই দৰ্শকৰ মনত সোমাই গৈছিল যে বিভিন্নস্থানত আমাৰ নাট্যদলটিক পায়লীয়া নাট্যদল নামেৰে মাতিছিল। পুৰস্কাৰৰ বন্যা উঠিছিল। চন্দনৰ কণ্ঠৰ যাদুই দৰ্শকৰ মন মুহিছিল। মনত পৰিলে এতিয়াও আমোদ পাওঁ গুৱাহাটী গান্ধীবস্তীত নাটক কৰিবলৈ গৈছিলো। প্ৰথম দিনা নাটকৰ মাজত আমি পায়লীয়া গীতটিৰ নৃত্য মঞ্চায়ন কৰিছিলো। পিচদিনা নাটকৰ আধা যোৱাত কমিতিৰ সম্পাদক আহি মোক ক'লে— 'পায়লীয়া নৃত্যটি দিয়কহে।' মই ক'লো কালি দিলো। আজি বেলেগ দিম দিয়ক। তেওঁ খঙতে ক'লে তেনেহ'লে আপোনালোকক বিদায় দিলো, এয়া পইচা লওক। তেওঁৰ আগ্ৰহক নস্যাৎ নকৰি পায়লীয়া গীতটি পুনৰ মঞ্চায়ন কৰিলো। প্ৰসংশাৰ বন্যাৰ লগতে মঞ্চত পইচাৰ বৰষুণ আৰু হাত তালিৰ মাজে মাজে দৰ্শক তথা সম্পাদকৰ নৃত্যই এক অনন্য পৰিবেশৰ সৃষ্টি কৰিছিল। সেয়া সম্ভৱ হৈছিল একমাত্ৰ চন্দনৰ গীতৰ লহৰ আৰু নচা সকলৰ লয়লাস ভঙ্গিমাৰ বাবে। এক পাহৰিব নোৱাৰা অনুভুতি।

চন্দনৰ আন এটি প্ৰতিভাৰ কথা অলপ নকলে দোষ হ'ব।তেওঁ এজন আছিল সু নাট পৰিচাল। বিভিন্ন স্থানত একাঙ্কীকা নাটক পৰিচালনা কৰাৰ উপৰিও শংকৰজ্যোতি নাট্যপৰিষদ, মা-মনসা নাট্যপৰিষদ, পানীটেমা আদি বহুতো ঠাইত তেওঁ নাট পৰিচালনা কৰি খ্যাতি লাভ কৰিছিল? তেওঁৰ সেই দক্ষতা সমূহৰ কথা মনত পৰিলে দুচকুৰ পানীয়ে বাধা নেমানে। বিদায় সতীৰ্থ, বিদায় ভাতৃ, তুমি য'তেই থাকা শান্তিত থাকা। তুমি আমাক দি যোৱা তোমাৰ প্ৰতিভাৰ সমল আমি চিৰদিন মনত ৰাখিম। তোমাৰ ওচৰত আমি ঋণী হৈ থাকিম। তোমাৰ আত্মা পৰমাত্মাৰ লগত মিলিত হৈ আমাক আশীৰ্বাদ জনাবা। আমি যেন তোমাৰ দক্ষতাৰে আগবঢ়াই থৈ যোৱা সাংস্কৃতিৰ পথাৰ খন আৰু বেছি সেউজীয়া কৰিব পাৰো। ■

***(দুয়োজন লেখক বৰ্তমান প্ৰয়াত। পুৰণি আলোচনীৰ পৰা সংগ্ৰহ কৰা হৈছে)***



# স্মৃতি হ'ল 'ঠঙাল জেনেৰেল'

■ বিচিত্ৰা কলিতা

স্মৃতি এটা সাধাৰণ শব্দ। যি বাস্তৱ ৰূপত দৃশ্যমান হ'ব নোৱাৰে অথচ সময়ে সময়ে মনৰ মাজত ভুমুকি মাৰে, সেয়াই বোধহয় স্মৃতি। কিছুমান স্মৃতিয়ে আমাক আনন্দিত কৰে। আনহাতে কিছুমান স্মৃতিৰ মাজত আমি হেৰুৱা খিনিও পাবলৈ সক্ষম হোৱা যেন লাগে। কিছুমান স্মৃতিয়ে আমাক ৰোমাঞ্চিত কৰে, অথচ কিছুমানে বিৰক্তি দিয়ে, কিছুমানে উত্তেজিত কৰে আৰু আন কিছুমান স্মৃতিয়ে সঁচাকৈয়ে আমাক দুৰ্বল কৰে তেতিয়া অন্তৰাত্মা হাহাকাৰ কৰে অপ্ৰাপ্তিৰ বেদনাত। সেয়াই হৈছে আপোনজনক হেৰুৱাৰ স্মৃতি, সেয়া হ'ব পাৰে পাৰিবাৰিক, বন্ধুত্বৰ, সহকৰ্মীৰ নাইবা এখন খেল পথাৰতে একেলগে খেলাধূলা কৰা কোনোবা চিনাকি জনৰ স্মৃতি। তেনে এক স্মৃতি পুনৰ স্মৃতিৰ মাজৰ পৰা মই বুটলি নানি নোৱাৰিলোঁ। আন একো নহয়, সেই স্মৃতি হৈছে এটা নাটকীয় চৰিত্ৰ 'ঠঙাল জেনেৰেল'। কিন্তু দুঃখৰ কথা সেই স্মৃতিৰ মাজত দপদপাই ফুৰা বাস্তৱ ৰূপটো আজি সঁচাকৈয়ে স্মৃতি হ'ল। সেয়ে মই সোঁৱৰণ কৰিব বিচাৰিছো ঠঙাল জেনেৰেলক।

১৯৮৯ চন, বামুন্দী তৰুণ সংঘ আৰু পুথি ভৰাঁলৰ বাৰ্ষিক অধিৱেশন। পাৰিলে প্ৰতিবছৰে এই অধিবেশনত প্ৰতিবছৰে স্থানীয় শিল্পীৰ দ্বাৰা একোখন নাট মঞ্চস্থ কৰা হয়। সেই বছৰৰ পুথিভৰাঁলৰ সাংস্কৃতিক সম্পাদক শ্ৰীমান নৰজ্যোতি দাস তথা সমিতিৰ উদ্যোগত সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা দেৱৰ মণিপুৰ বুৰঞ্জীৰ এখিলা ৰাঙলী পাত "টিকেন্দ্ৰজিৎ" নামৰবুৰঞ্জীমূলক পাচ অংকীয়া নাটকখন মঞ্চস্থ কৰিবলৈ ঠিক কৰা হৈছিল। নাম ভূমিকাত অভিনয় কৰিছিল সম্পাদকে নিজে। নাটকখনিৰ স্ত্ৰী চৰিত্ৰ দুটা - চন্দ্ৰ প্ৰভা (মণিপুৰৰ ৰাণী) আৰু মধুমঞ্জৰী (কাৰেঙৰ লিগিৰী, ঠঙালৰ পালিতা কন্যা)। চন্দ্ৰলেখাৰ চৰিত্ৰটো ৰূপায়ণ কৰিছিল সেই সময়ত বামুন্দী মহা বিদ্যালয়ত অধ্যপনা কৰি থকা সৰ্থেবাৰীৰ শ্ৰমতী কবিতা ডেকাই। মধুমঞ্জৰীৰ চৰিত্ৰটো ৰূপায়ণ কৰিছিলোঁ মই। তেনেকৈ বিভিন্ন চৰিত্ৰ সমূহ আমাৰ মাজৰেই হালোগাঁও - বামুন্দীৰ নাট্যজগতৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থকা বিভিন্ন শিল্পীৰ দ্বাৰা ৰূপায়ণ কৰা হৈছিল। টিকেন্দ্ৰজিৎ নাটকৰ প্ৰধান আৰু বলিষ্ঠ চৰিত্ৰ "ঠঙাল জেনেৰেল" ৰূপায়িত কৰিছিল আমাৰ সকলোৰে শ্ৰদ্ধাৰ চন্দনদাই। যিজনৰ নাট্যবচনৰ প্ৰতিধ্বনি আজি অনুৰণিত হ'ব ধৰিছে স্মৃতি গহ্বৰত। ঠঙাল মেজৰ জেনেৰেল, প্ৰাক্তন ৰাজ মন্ত্ৰী।

চন্দনদাৰ নাট্যজগতৰ প্ৰতি থকা ধাউতি,অৱদানৰ বিষয়ে প্ৰত্যেক জনেই অৱগত। কেনেকৈ তেওঁ শিক্ষকতাৰ





দায়িত্ব পালন কৰিও বছৰৰ পিছত বছৰ মঞ্চই মঞ্চই প্ৰতিধ্বনি তুলিছিল, কম বেছি পৰিমাণে আমি আটায়ে জানো। কিন্তু মই আজি ক'বলৈ গৈছো টিকেন্দ্ৰজিৎ নাটকৰ সেই ঠেঙাল জেনেৰেল চৰিত্ৰটোৰ কথা জীৱনত ভালে বেয়াই মইও বহুত নাটকতে অভিনয় কৰিছোঁ। কিন্তু টিকেন্দ্ৰজিৎ নাটকত কৰা মধুমঞ্জৰীৰ অভিনয় মই কোনোদিনে পাহৰিব নোৱাৰোঁ। বিশেষকৈ চন্দনদাই সহ অভিনেতা হিচাবে কৰা ঠেঙাল জেনেৰেলৰ বলিষ্ঠ অভিনয়। মধুমঞ্জৰি হৈছে ঠেঙালৰ আশ্ৰিতা কন্যা, যিজনীৰ নাম দিছিল তেওঁ মঞ্জু। ইমান সুন্দৰ, সহজ আৰু সফল অভিনয় মই অন্য নাটকত কৰা মনত নপৰে। ইয়াৰ একমাত্ৰ কাৰণ হৈছে চন্দনদা। সদায় আখৰাৰ সময়ত হোৱা অনুভৱৰ মাত্ৰ দুটা উদাহৰণ উনুকিয়াব বিচাৰিছোঁ। কাৰণ নাটকখনিৰ তিনিটা দৃশ্যতে একাণপতিয়াকৈ আছে ঠেঙাল আৰু মধুমঞ্জৰীৰ অভিনয়। কিয় জানো সদায় আখৰাৰ সময়ত তেওঁৰ বচনৰ লালিত্যৰ বাস্তৱতাৰ প্ৰতিধ্বনি শুনিবলৈ পাইছিলো। চন্দন দাৰ নাটকীয় বচনৰ গাম্ভীৰ্যতাত মই অভিভূত হৈছিলোঁ। যিটো মোৰ অন্য অভিনয় জীৱনত কেতিয়াও হোৰ নাছিল। নিৰ্যাতিতা মধুমঞ্জৰীক আশ্ৰয় আৰু নিৰ্ভয় প্ৰদান কৰি- "আহ মঞ্জু আহ, তই মোৰ বুকুৰ মাজলৈ আহ" বুলি যিটো বচন আওৰাইছিল, সেই বচনৰ মাজেৰে যেন তাই এজন সঁচা, বাস্তৱ পিতৃৰ আশ্ৰয় লাভ কৰিছিল তেনেকুৱা অনুভৱ হৈছিল। কিন্তু খন্তেকতে তাইক আতৰলৈ ঠেলা মাৰি দি কয় (অভিনয়ৰ খাতিৰত নহয়, সঁচাকৈয়ে ঠেলা মাৰি দিয়ে) "মই কোন জান মঞ্জু?" তাই কয়- "জানো, বিধাতাৰ শাপগ্ৰস্ত মণিপুৰৰ ত্ৰাণকৰ্তা তুমি ঠেঙাল জেনেৰেল।" লগে লগে আৰম্ভ হৈছিল- "ভুল মঞ্জু ভুল"। মণিপুৰক ত্ৰাণ কৰিবলৈ যিমান শক্তিৰ আৱশ্যক..." এটা দীঘলীয়া বচন, যি বচনে কঢ়িয়াই এজন দুৰন্ত সাহসী দেশপ্ৰেমিক বীৰৰ বাতৰি আৰু চন্দন দাই বচনটো ইমান সুন্দৰ ভাৱে ৰূপায়ণ কৰিছিল যে (মাতৰ কথাটো কবই নালাগে) নাটকৰ মাজৰ পৰা কেতিয়া এজন দেশপ্ৰেমিক বীৰৰ মাজলৈ সোমাই যাওঁ ক'বই নোৱাৰো, পিছুৱাই গৈ গৈ বহুখিনি আঁতৰ পাঁও আৰু বচন শেষ হোৱাৰ লগে লগে তেওঁ ধমক মাৰি কয় "কি কৰি আছ তই?" আখৰাৰ সময়ত প্ৰায়েই হৈছিল। এই স্মৃতি খিনিয়ে আজি বিদায় বেলাত বৰকৈ আমনি কৰিছে। ঠিক তেনেকুৱা অন্য এটা বচন আছিল- "ভয় নাই মঞ্জু।" আজিৰ পৰা তই মোৰ অকলশৰীয়া জীৱনৰ আশাৰ বন্তি হলি। তই মোৰ কন্যা... মোৰ মাতৃ.... তই দেশৰ গোঁসানী।" সদায় আখৰাৰ সময়ত এই বচনফাঁকিয়ে মোৰ গাৰ নোম শিঞৰাই তোলে। ইমান সুন্দৰ আৰু সঁচা আছিল চন্দন দাৰ সহ অভিনয়। তেওঁ পিছতো বহুদিন কৈছিল- "ভাল নাটক এখন কৰিলো, অৰ্থাৎ তোৰ লগত অভিনয় কৰি বৰ ভাল লাগিল।" পিছলৈ, যোৱা কিছুদিনলৈ লগপালেই প্ৰায়েই কৈছিল আকৌ এবাৰ একেলগে এখন নাটক কৰাৰ কথা। কিন্তু নিয়তিয়ে সেই সুযোগ নিদিলে। অকালতে তেওঁক আমাৰ মাজৰ পৰা আতৰাই লৈ গ'ল। কিন্তু তেওঁৰ অভিনয়ৰ যিটো গুণ মোৰ দৰে হয়তো বহুতৰে অন্তৰত বাজি বাজি থাকিল। সেয়েহে তেওঁ শেষ নিশ্বাস ত্যাগ কৰাৰ ৰাতিপুৱাই (খবৰটো মই ইতিমধ্যে পাইছো) মোক এজনে ক'লে- "বাইদেউ ঠেঙাল জেনেৰেল গ'ল; কি বলিষ্ঠ অভিনয় কৰিছিল সেইখন নাটকত।" তলমূৰ কৰি মনে মনে ৰৈছিলোঁ মাথো ভাৱিছিলো কিমান অন্তঃকৰণৰে মনত ৰাখিছে এইজন প্ৰত্যক্ষদৰ্শীয়ে চন্দনদাৰ অভিনয়ৰ কথা। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসত সকলোবোৰ থান-বান হৈ গ'ল, ৰৈ গ'ল মাথো স্মৃতি। তেওঁৰ বিদায় বেলাত তেওঁৰ সৈতে সাঙোৰ খাই থকা স্মৃতি বিলাক বুকু ভৰাই লৈ এটোপাল মাথো চকুলো টুকি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো তেওঁৰ আত্মাক সদ্‌গতি দিয়ক। ■



***নাট উপভোগ কৰা দৰ্শকৰ ছবি***

# শশাংক দাস সোঁৱৰণী
# ৰূপালীম একাংককিকা নাট প্ৰতিযোগিতা

■ নিৰোদ চৌধুৰী

২০১৯ চন। হালোগাঁওবাসীক কন্দুৱাই শশাংক দাস গুচি গ'ল আৰু যে ঘূৰি নাহে আমি জানোঁ। তথাপিও আমাৰ হৃদয় দাপোনৰ পৰা যাতে আঁতৰ নহয় তাৰ প্ৰেক্ষাপটেই হ'ল এই প্ৰতিযোগিতা। ২০২০ চনৰ প্ৰথম মৃত্যু বাৰ্ষিকীত শশাংক দাসৰ স্মৃতি জীৱন্ত কৰি ৰখাৰ উদ্দেশ্যে লক্ষেশ্বৰ দাস স্মৃতি ন্যাসৰ উদ্যোগত তথা হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সহযোগত সদৌ অসম ভিত্তিত 'ৰূপালীম' একাংককিকা নাট প্ৰতিযোগিতা অনুস্থিত কৰাৰ লগতে 'ৰূপালীম' নামৰ এখন আলোচনী উলিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই সিদ্ধান্ত মৰ্মে ২০২০ চনত অভয়চৰণ চৌধাৰী ষ্টেডিয়ামত নাট প্ৰতিযোগিতা অনুস্থিত কৰা হয়। ফেব্ৰুৱাৰী মাহৰ ১ আৰু ২ তাৰিখে প্ৰথমবাৰলৈ অনুস্থিত হোৱা সেই প্ৰতিযোগিতাত অসমৰ বিভিন্ন জিলাৰ পৰা মুঠ যোল্লটা নাট্য দলে ভাগ লয়, লগতে 'ৰূপালীম' নামৰ আলোচনীখনৰ প্ৰথম সংখ্যা উন্মোচন কৰা হয়। প্ৰথমবাৰলৈ অনুস্থিত এই প্ৰতিযোগিতাত দৰ্শকৰ বিপুল সঁহাৰিয়ে অঞ্চলটোত এক উৎসাহ আৰু প্ৰেৰণাৰ পৰিৱেশ নিৰ্মাণ কৰে।

২০২০ চনত অনুস্থিত প্ৰতিযোগিতাত ডেংগ্ৰাৰী-গুৱাহাটীৰ 'ভূমিকন্যা' নাটকখনে প্ৰথম পুৰস্কাৰ লাভ কৰে। 'ভাগফল শূন্য'— গুৱাহাটী তথা 'কথা কুঁহিপাত' গুৱাহাটীয়ে ক্ৰমে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে। ইয়াৰ লগতে শ্ৰেষ্ঠ নাট্যকাৰ, শ্ৰেষ্ঠ অভিনেতা, শ্ৰেষ্ঠ সহ অভিনেতা, শ্ৰেষ্ঠ অভিনেত্ৰী, সহ শ্ৰেষ্ঠ অভিনেত্ৰী, শ্ৰেষ্ঠ শিশুশিল্পী, শ্ৰেষ্ঠ পাণ্ডুলিপি, শ্ৰেষ্ঠ পৰিচালকক নগদ ধন, প্ৰমাণ পত্ৰ আৰু স্মাৰক প্ৰদান কৰা হয়।

২০২১ চনত ২৭ আৰু ২৮ ফেব্ৰুৱাৰীত দ্বিতীয় বাৰ্ষিক নাট প্ৰতিযোগিতাত দহটা নাট্য দলে ভাগ লয়। এই বছৰ প্ৰজন্ম, নলবাৰীৰ 'নিংনি' নামৰ নাটক খন সৰ্বশ্ৰেষ্ঠ নাটক হিচাপে বিবেচিত হয়। ৰংগৰাগ— গুৱাহাটীৰ 'জোনটি ওলালে তৰাটি ওলাব' আৰু জেংৰাই— মঙ্গলদৈৰ 'ব্ৰেইনলেচ হেড' নামৰ নাটক দুখনে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে।

২০২২ চনৰ ৫ আৰু ৬ মাৰ্চত অনুস্থিত হোৱা তৃতীয় বাৰ্ষিক একাংককিকা নাট প্ৰতিযোগিতাখনত অসমৰ বিভিন্ন জিলাৰ আঠটা নাট্যদলে ভাগ লয়। নৱ নাট্য— বোকাখাটৰ



'বনছাঁই' নাটকখন সৰ্বশ্ৰেষ্ঠ বিবেচিত হয়। জ্যোতিশিল্প— নগাঁৱৰ 'ত্ৰাহি দেৱদামোদৰ' আৰু অসম নাট্য সন্মিলন— কলিয়াবৰৰ 'সংলাপ' নামৰ নাটক দুখনে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে।

২০২৩ চনৰ ২৮ আৰু ২৯ জানুৱাৰীত অনুস্থিত হোৱা চতুৰ্থ বাৰ্ষিক নাট প্ৰতিযোগিতাত অসমৰ পোন্ধৰটা নাট্য দলে ভাগ লয়। নৱ নাট্য গোষ্ঠী— বোকাখাটৰ দ্বাৰা মঞ্চস্থ কৰা 'জীৱন মুখী বাট' নাটকখনে প্ৰথম পুৰস্কাৰ লাভ কৰে। শিল্পজ্যোতি— মালিগাঁৱৰ 'ভয়' আৰু সাৰথি নাট গোষ্ঠী— বোকাখাটৰ 'ভেকুৰাম' আৰু ফ্ৰেণ্ডশ্বীপ ক্লাব— কলিয়াবৰৰ 'সংকল্প' নাটক কেইখনে ক্ৰমে দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ পুৰস্কাৰ লাভ কৰে।

২০২৪ বৰ্ষৰ ৩ আৰু ৪ ফেব্ৰুৱাৰীত অনুস্থিতব্য পঞ্চম বাৰ্ষিক নাট প্ৰতিযাগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা উন্নৈশ খন নাটকে অংশ গ্ৰহণ কৰিছে।

উল্লেখনীয় যে ক'ৰোণা মহামাৰীৰ সময়তো এই প্ৰতিযোগিতা বাধাহীনভাৱে কৰিবলৈ সক্ষম হৈছে। প্ৰতিবছৰ মৃত্যু বাৰ্ষিকীৰ উপলক্ষে অনুস্থিত কৰি অহা এই নাট প্ৰতিযোগিতাৰ উদ্বোধনী আৰু সামৰণি অনুষ্ঠানত অসমৰ বিশিষ্ট শিল্পী, সাহিত্যিক, অভিনেতা-অভিনেত্ৰীৰ লগতে গায়ক-গায়িকা সকলে অংশ গ্ৰহণ কৰি আহিছে। ৰূপালিম নামৰ আলোচনীখনো প্ৰতি বছৰে প্ৰকাশ কৰি সাহিত্যৰ ক্ষেত্ৰত অৱদান যোগাই অহা হৈছে। আমন্ত্ৰিত কৰি অনা অতিথিসকলৰ ভিতৰত যতিন বৰা, বীনা বাৰুৱতী, ৰেবা ফুকন, আঙুৰলতা ডেকা, স্বৰ্গীয় প্ৰাণজিৎ দাস, মন্মথ বৰুৱা, প্ৰাঞ্জনা দত্ত, আশা বৰদলৈ আৰু বাদুংদুপ্পা নাট্য গোষ্ঠীৰ প্ৰযোজক সীমা ৰাভা তথা বিশিষ্ট বোলছবি নিৰ্দেশক সঞ্জীৱ হাজৰিকা আদিৰ উপস্থিতিয়েই অনুষ্ঠানটিৰ সৌষ্ঠৱ বঢ়াই আহিছে।

অসমৰ নাট্য জগতৰ প্ৰথিতযশা অভিনেতা, সমালোচক, নিৰ্দেশক আদি মহানুভৱ সকলে বিচাৰকৰ আসন গ্ৰহণ কৰি এই নাট প্ৰতিযোগিতাখনিৰ প্ৰচাৰ প্ৰসাৰত বহু অৰিহণা যোগাইছে। তাৰ ভিতৰত বিশেষভাৱে উল্লেখনীয় হ'ল বিনয় ডেকা, হিল্লোল পাঠক, পৰাগ শৰ্মা, মন্মথ বৰুৱা, অসীম কুমাৰ শৰ্মা, পূৰী শইকীয়া, ডাঃ আলেখ্য বৰুৱা, ভাগৱত প্ৰিতম, জিন্টু ভট্টাচাৰ্য আৰু তপজিৎ দাস।

শশাংক দাসৰ পৰিয়ালৰ লগতে হালোগাঁও সেৱক সংঘ আৰু পুথিভঁৰালৰ সকলো কৰ্মকৰ্তা মিলি ব্যৱস্থিতভাৱে পৰিচালনা কৰাটো হ'ল এই প্ৰতিযোগিতাৰ এটা উল্লেখযোগ্য দিশ। তদুপৰি ব্যৱস্থা আৰু হেজাৰোধিক দৰ্শকৰ উপস্থিতিয়ে নাট্য দলসমূহক কিদৰে উৎসাহিত কৰে, এই কথাটোক লৈ নাট্যদল সমূহে প্ৰকাশ কৰা মন্তব্য আৰু সন্তুষ্টিয়ে আমাক উৎসাহিত কৰিছে। ৰাতি বাৰযএক বজাৰ পিছত এই ঠাণ্ডাৰ ৰাতিতো দলসমূহ যেতিয়া পৰস্পৰ বাৰ্তালাপত মগ্ন হৈ থাকে তেতিয়া তেখেতসকলৰ মাজতেই যেতিয়া আলোচনা হয় যে 'ক'ৰ প্ৰতিযোগিতাতনো শেষ হোৱাৰ পিছতো নাট্য দল সমূহে আড্ডা মাৰে'? এইয়া আমি এই প্ৰতিযোগিতাৰ সাফল্য বুলি ধৰি লৈছোঁ।

জয়তু ৰূপালীম একাংকিকা নাট প্ৰতিযোগিতা।



# অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনত শশাংক দাস কলিতা (চন্দন)ৰ ভূমিকা

■ বলী কলিতা কঁয়াটোল

হালোগাঁও লাচিত নগৰত জন্ম গ্ৰহণ কৰা শশাংক দাস কলিতা প্ৰয়াত লংকেশ্বৰ দাস আৰু শ্ৰীমতী নিহাৰিকা দাসৰ দ্বিতীয় পুত্ৰ। ৬ ফেব্ৰুৱাৰী ২০১৯ তাৰিখ বুধবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যায়ত শেষ নিশ্বাস ত্যাগ কৰে। শশাংক দাস কলিতাৰ আকস্মিক বিয়োগত অতিকৈ মৰ্মাহত হৈছোঁ। তেখেতৰ আত্মা স্বৰ্গগামী হওক আৰু চিৰ শান্তিত থাকক তাৰেই কামনা কৰিছোঁ।

শশাংক দাস কলিতা পেছাত শিক্ষক আছিল যদিও তেখেত আছিল বহুমুখী প্ৰতিভাৰ এজন প্ৰভাৱশালী ব্যক্তি। তেখেতে অকল শিক্ষকতা কৰাই নহয়, তেখেত আছিল জাতীয়তাবাদক ভালপোৱা, শিল্পী, অভিনেতা নাট্যকাৰ, সুগায়ক, সজ সাহসী, আত্ম বিশ্বাস থকা এজন ব্যক্তি। মুঠতে সৰ্বগুণী ব্যক্তিক আমি অকালতে হেৰুৱালোঁ।

১৯৭৯ ইং চনৰ জুন মাহত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী বহিস্কাৰ আন্দোলন ঘোষণা কৰিছিল। এই বিদেশী বহিস্কাৰ আন্দোলনত অসমৰ বিভিন্ন অৰাজনৈতিক সংগঠন আৰু অসমৰ জনগণই সম্পূৰ্ণ ভাৱে অংশ গ্ৰহণ কৰিছিল। আন্দোলন সুপৰিকল্পিতভাৱে



*পুৰস্কাৰ বিতৰণৰ ছবি*

পৰিচালনা কৰাৰ বাবে অসমৰ সকলো জনগণই অংশ গ্ৰহণ কৰিব পৰাকৈ ই অসম গণ সংগ্ৰাম পৰিষদ নামেৰে এটা অৰাজনৈতিক সংগঠনৰ জন্ম দিছিল যৌথ ভাৱে আগুৱাই নিয়াত সদৌ অসম ছাত্ৰ সন্থাই নেতৃত্ব গ্ৰহণ কৰিছিল। বিদেশী বহিস্কাৰ আন্দোলনটো ক্ৰমাগত ভাৱে জটিলতৰ হৈ আহিছিল।

১৯৭৯ চনৰ পৰা আৰম্ব হোৱা বিদেশী বহিস্কাৰ হোৱা আন্দোলনত পশ্চিম বংশৰ মৌজাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ নেতা হিচাপে গুৰি ধৰিছিল শশাংক দাস কলিতাই। তেখেত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদকৰ পদত থাকি আন্দোলনৰ সকলো কাৰ্যসূচী পৰিপাটিকৈ পৰিচালনা কৰিছিল। ছাত্ৰ নেতাৰ দায়িত্বতত থাকি তেখেতে নিজকে সংগ্ৰামী নেতা হিচাপে হাজো সমষ্টিৰ ভিত্তিত পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। তেখেতৰ সহযোগী হিচাপে মই কাৰ্যালয় সম্পাদকৰ দায়িত্ব পালন কৰিছিলোঁ। আন্দোলনৰ সকলো কাৰ্যসূচীতে তেখেতৰ পৰামৰ্শ গ্ৰহণ কৰিছিলোঁ। সদৌ অসম ছাত্ৰ সন্থাৰ সমূহীয়া কাৰ্যসূচীত পশ্চিম বংশৰ মৌজা ছাত্ৰ সন্থা তৰফৰ পৰা অংশ গ্ৰহণ কৰা প্ৰায় কাৰ্যসূটীতে মই প্ৰয়াত শশাংক (চন্দন) দাৰ লগত এখন চাইকেলতে আৰোহণ কৰি 'জয় আই অসম' ধ্বনি লিখা ফলক আৰি লৈ কাৰ্যসূচী সফলতা হোৱাকৈ পূৰ্ণ সহযোগ কৰিছিলোঁ।

আন্দোলনটো যেতিয়া দিন বাগৰি জটিল ৰোগ ধাৰণ কৰিছিল তেতিয়া সদৌ অসম ছাত্ৰ সন্থাই এটা স্বেচ্ছাসেৱক বাহিনী গঠন কৰিছিল। পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক হিচাপে তেখেতে গুৰু দায়িত্ব লৈছিল আৰু স্বেচ্ছাসেৱক সকলক প্ৰশিক্ষণ দিছিল।

জটিলময় সন্ধিক্ষণত চৰকাৰী ষড়যন্ত্ৰক বাধা দিবৰ বাবে স্বেচ্ছাসেৱক বাহিনীৰ জৰিয়তে পথ অৱৰোধ কৰিবলৈ বাধ্য হৈছিল। পথ অৱৰোধ কাৰ্যসূচীৰ পশ্চিম

বংশৰ অঞ্চলৰ আন্দোলনকাৰী সকলে কাৰ্যকৰী কৰিছিল।

১৯৮২-৮৩ ইং চনত আন্দোলনে অগ্নিগৰ্ভা ৰূপ ধাৰণ কৰিছিল সেই সময়ত ছাত্ৰ নেতা সকল পলাই ফুৰিব লগা হৈছিল। অসমত তেতিয়া কংগ্ৰেছ দলৰ শাসন চলি আছিল। বহুতো ছাত্ৰ নেতাই কাৰা বৰণ কৰিবলগীয়া হৈছিল।

১৯৮৩ ইং চনত কংগ্ৰেছ চৰকাৰে অবৈধ নিৰ্বাচন ঘোষণা কৰিছিল। এই নিৰ্বাচনত বৰপেটা সমষ্টিত আবেদা বেগমে মনোনয়ন পত্ৰ দিবলৈ যোৱাত ছাত্ৰ সন্থাই পথ অৱৰোধ কাৰ্যসূচী পালন কৰিছিল আৰু বাধা প্ৰদান কৰোতে ভৱানীপুৰত খৰ্গেশ্বৰ তালুকদাৰক গুলিয়াই হানি-খুচি ভাৰতীয় সেনাই হত্যা কৰিছিল। সেই হিচাপে খৰ্গেশ্বৰ তালুকদাৰক সদৌ অসম ছাত্ৰ সন্থাই প্ৰথম শ্বহীদ ঘোষণা কৰিছিল। খৰ্গেশ্বৰ তালুকদাৰৰ আদ্য শ্ৰাদ্ধত যোগদান কৰিবলৈ যোৱাত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থাই শশাংক দাস কলিতাৰ নেতৃত্বত যোগদান কৰিছিল। ইয়াৰ পিছৰ দিলীপ হুজুৰী পাঠশালাৰ সৰভোগত শ্বহীদ হোৱাত মৃত্যু তিথিত শশাংক দাস কলিতাৰ নেতৃত্বত অংশ গ্ৰহণ কৰিছিলোঁ। তেখেত আমাক সহকৰ্মী সকলক আৰ্থিক কোনো ধৰণৰ চিন্তা নকৰিবলৈ সাহস যোগান ধৰিছিল। এনেদৰে অসমৰ ছবছৰীয়া বিদেশী বহিস্কাৰ আন্দোলনত অসমৰ বিভিন্ন জিলাত মুঠ ৮৫৫ জন ছাত্ৰ নেতা তথা ছাত্ৰকৰ্মী শ্বহীদ হ'বলগীয়া হৈছিল।

১৯৮৫ ইং চনত সদৌ অসম ছাত্ৰ সন্থা গণ সংগ্ৰাম পৰিষদ, অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত ত্ৰি পাক্ষিক বৈঠক বহি অসম চুক্তি কৰি অসম আন্দোলনৰ পৰিসমাপ্তি ঘটায়।

এই আন্দোলনৰ সময়চোৱাত শশাংক দাস কলিতাৰ ভূমিকা লেখত ল'বলগীয়া। মই ব্যক্তিগত ভাৱে তেখেতৰ আন্দেলনৰ বিষয়ে উল্লেখ কৰিবই লাগিব আৰু ত্যাগক স্বীকাৰ কৰিবই লাগিব। অসম আন্দোলনৰ সময়চোৱাতে হালোগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ হালোগাঁও বেচৰকাৰী পঞ্চায়তৰ চিন্তা চৰ্চাত ১৯৮২ চনত জন্ম হয়। হালোগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত হিচাপে ভূমি দাতা হিচাপে থাকি বিদ্যালয়খন চৰকাৰীকৰণত যথেষ্ট পৰিমাণে আগভাগ লয় আনকি বিনা বেতনে শিক্ষকতা কৰি জ্ঞান পোহৰ বিলোৱাত সহযোগিতা আগ বঢ়ায়। সেয়ে তেখেত সকলৰ চেষ্টাত হালোগাঁও উচ্চ মাধ্যমিক বিদ্যালয় চৰকাৰীকৰণ হয়। আৰু উচ্চ তৰ মাধ্যমিক বিদ্যালয়লৈ উন্নতিকৰণ হয়। এই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাম কৰি থাকোতে কৰ্মৰাজি শেষ নহওঁতে তেখেত আমাৰ মাজৰ পৰা চিৰ বিদায় মাগিলে। সেয়ে তেখেতৰ আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ আৰু পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছোঁ। ভগৱানে তেখেতক স্বৰ্গত স্থান দিয়ক এয়ে প্ৰাৰ্থনা। ■



*শিশু শিল্পীক পুৰস্কাৰ প্ৰদানৰ ছবি*



*উদ্বোধনী ভাষণ দিয়াৰ মুহূৰ্তত*
*প্ৰখ্যাত চলচিত্ৰ পৰিচালক সঞ্জীৱ হাজৰিকা*

# নীলকণ্ঠ শশাংক দাস ছাৰ

■ **ভগৱান চন্দ্ৰ কলিতা**

**শ**শাংক দাস ছাৰৰ মৃত্যুৰ কথাটো মনটোৱে মানি ল'ব নোখোজে। ইমান সুন্দৰ হৃষ্ট-পুষ্ট চেহেৰাৰ গলগলীয়া মাতৰ মানুহজন আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল ভাবিব নোৱাৰি। এই মুহূৰ্ত্তত ছাৰক বৰকৈ মনত পৰিছে আৰু বহু কথা মনলৈ আহিছে।

১৯৮৬ চন। হালোগাওঁ মজলীয়া বিদ্যালয়ৰ পৰা সপ্তম মান শ্ৰেণী উৰ্ত্তীণ হৈ অষ্টম শ্ৰেণীত হালোগাওঁ হাইস্কুলত (বৰ্তমান হালোগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়) নাম লিখিছিলো। স্কুলৰ বাৰ্ষিক খেল আৰম্ভ হ'ল আৰু আমি অষ্টম শ্ৰেণীৰ ফুটবল দলটোৱে নৱম আৰু দশম শ্ৰেণীক পৰাস্ত কৰি চূড়ান্ত বিজয়ী হৈছিলো। খেলৰ অন্তত আমাক প্ৰধান শিক্ষক মহোদয়ে বঁটা প্ৰদান কৰিলে। আমি আনন্দত আত্মহাৰা হৈ শশাংক দাস ছাৰক ক'লো- "ছাৰ আমাক খানা খোৱা লাগে।" লগে-লগে দাস ছাৰে ক'লে - "খানা পাতা গোটেই খৰচ মই দিম।" ছাৰে তেনেকৈ কোৱাৰ লগে লগে আন ছাৰ সকলোৱে আমাক খানা খোৱাৰ বাবে ধন দিলে। আমি মহা আনন্দৰে খানা খালো। ছাৰ ভোলানাথৰ দৰে। স্কুল ভেঞ্চাৰ। এটকাও দৰমহা নাপায়। তথাপি অকলে খানাৰ খৰচ দিম বুলি কৈছিল।

মোৰ জীৱনৰ কেইটামান বিশেষ ঘটনাৰ বাবে শশাংক দাস ছাৰক মই পাহৰিব নোৱাৰিম। ১৯৯২ চনত গুৱাহাটী কমাৰ্চ কলেজৰ পৰা H.S. Final দি ঘৰলৈ আহিছো। বহাগ বিহুৰ বতৰ। সেই সময়ত আমাৰ বিহু মঞ্চবোৰত একাংক নাট প্ৰতিযোগিতা হৈছিল। মই 'ৰাজনীতিৰ চক্ৰবেহু' নামৰ এখন নাটক লিখি লগৰ কেইজন মানৰ লগত আখৰা আৰম্ভ কৰিলো। প্ৰতিযোগিতালৈ মাজত মাত্ৰ এদিন বাকী আছে। আখৰা চলি আছে। এনেতে হঠাৎ কৰবাৰ পৰা দাস ছাৰ আহি আখৰা গৃহত প্ৰৱেশ কৰিলে। মোৰ দেখা মাত্ৰকে বৰ ভয় লাগিল। কাৰণ সৰুতে দেখা সতীৰঘাট নাটকৰ 'জতাধাৰৰ' চৰিত্ৰত ছাৰে যি



*স্মৃতিগ্ৰন্থ 'ৰূপালীম' উন্মোচন কৰাৰ ছবি*

দুৰ্দান্ত অভিনয় কৰিছিল মই আজিলৈকে দেখা নাই। তেনেকুৱা এজন মানুহৰ সন্মুখত মই অভিনয় কৰি আছো। আখৰা শেষ হ'ল। ছাৰে মোক ক'লে ভগৱান মই নাটক খনৰ Direction কিছু সলনি কৰিব বিচাৰো। তই বেয়া পাবি নেকি? নাপাওঁ ছাৰ। এয়া ছাৰৰ মহানুভৱতা। মোৰ দৰে নাটকৰ অ আ নজনা মানুহজনক Direction সলনি কৰিব বিচাৰি অনুমতি বিচাৰিছিল।

সামাজিক জীৱনত মই যিটো কথাৰ বাবে ছাৰক পাহৰিব নোৱাৰো সেই ঘটনাটো ঘটিছিল ১৯৯৫ চনত। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা M.Com প্ৰাৰম্ভিক পৰীক্ষা দি ঘৰলৈ আহিছিলো। গৰমৰ দিন। লগৰ কেইজনমানে আমাৰ স্কুলৰ (হালোগাওঁ হাইস্কুল) সন্মুখত গল্প কৰি আছিলো। তেনেতে আমাৰ আলোচনাৰ বিষয় হ'ল খেলপথাৰ। আমাৰ গাঁৱৰ খেল পথাৰ খন কেইজন মানে দখল কৰি খেতি কৰিছে। মই ক'লো আমাৰ খেল পথাৰ আমাক লাগিব। আলোচনাৰ অন্তত সিদ্ধান্ত হ'ল পিছ দিনা খন হালোগাওঁৰ প্ৰতি চুবুৰীৰ সকলো ডেকা ল'ৰা লগ হৈ খেলপথাৰত (এভেকচন) উদ্ধাৰ অভিযান চলাম। কথামতে কাম। পিছদিন পুৰা গাঁৱৰ সকলো ডেকা ল'ৰা ওলাই আহিল খেলপথাৰ বেদখলকাৰীৰ পৰা উদ্ধাৰ কৰিবলৈ। আৰম্ভ হ'ল ৰাম-ৰাৱনৰ যুদ্ধ। বেদখলকাৰীৰ কবলৰ পৰা খেলপথাৰ মুক্ত কৰিলে। কিন্তু বিপদ আমাৰ কেইজনমানৰ শুৱালকুছি থানাত গোচৰ দিলে। পুলিচ ঘৰলৈ আহিল। পিছদিনা থানালৈ যাবলৈ ক'লে। থানালৈ গ'লো। O.C ছাৰে বহুৱাই থলে। শশাংক দাস ছাৰ থানাত হাজিৰ হ'ল। দাস ছাৰে ক'লে এই কেইজন মোৰ ছাত্ৰ। ই M.Com পঢ়ি আছে। আপুনি (O.C ক ক'লে) কেছটো Register নকৰিব। ল'ৰা কেইটাৰ ভৱিষ্যতলৈ চাকৰি বাকৰিত অসুবিধা হ'ব। O.C য়ে ক'লে আপুনি কৈছে যেতিয়া কেছ Register নকৰো। O.C য়ে ক'লে বেদখলকাৰীয়ে খেলপথাৰত আকৌ খেতি কৰিব। দাস ছাৰে সিংহৰ দৰে গজৰি উঠি ক'লে "তেনেকুৱা হ'লে মই আপোনাৰ ওচৰত আচামী হিচাপে আহিম। ইয়াত আমি ষ্টেডিয়াম নিৰ্মাণ কৰিম।" ষ্টেডিয়াম শব্দটো মই তেতিয়া প্ৰথম শুনিছিলো। এইদৰে দাস ছাৰে আমাক থানাৰ পৰা মোকলাই আনি O.C মহোদয়ৰ জৰিয়তে বেদখলকাৰীক জনাই দিলে খেলপথাৰ আমাক লাগিবই। সাগৰ মন্থণত গৰল পান কৰি প্ৰভু ভোলনাথৰ গোটেই দেহটো নীলাহৈ গৈছিল আৰু সেই কাৰণে মহাদেৱক নীলকণ্ঠ বুলি কয়। মই শশাংক দাস ছাৰক নীলকণ্ঠ বুলি শিৰোনাম এই কাৰণে দিছো যে তেখেতে আনৰ বিপদৰ সময়ত আৰ্টজনৰ ওচৰত থাকি সহাস কৰিছিল, সাহস আৰু শক্তি দিছিল।

ছাৰে মোক কাৰোবাৰ লগত চিনাকী কৰি দিলে কৈছিল ই মোৰ নিজৰ ভাইৰ দৰে। হয়টো বিপুলদা, পংকজদা আৰু দিগন্ত বন্ধুৰ লগত থকা ঘণিষ্ঠতম বন্ধুত্বৰ বাবেই তেনেদৰে চিনাকী কৰি দিব পাৰে। সেয়ে পিছলৈ মই ছাৰক দাদা বুলি সম্বোধন কৰিবলৈ লৈছিলো। তেনেদৰে জিতাংকুৰহঁতেও সদায় মোক খুড়া বুলিয়ে সম্বোধন কৰি আহিছে। এক আত্মিক সম্পৰ্ক ছাৰৰ পৰা দাদালৈ।

ছাৰৰ বিয়োগত বাইদেউ বা জিতাংকুৰক কি বুলি সান্ত্বনা দিম ভাষা নাই। তথাপিও জিতাংকুৰক (জানক) কও তুমি সাহসক সাৰথি কৰি লৈ সততাৰে ঘৰখনৰ দায়িত্ব ল'ব লাগিব। বৈকুণ্ঠৰ পৰাই তোমাৰ দেউতাই তোমাক সহায় কৰিব। শকতি প্ৰদান কৰিব।

ছাৰক ভগৱানৰ ওচৰত ঠাই দিয়ক তাৰেই কামনাৰে...। ■

# পুৰস্কাৰ প্ৰদানৰ মুহূৰ্তত




অভিনেত্ৰী ৰেৱা ফুকন



অভিনেতা মন্মথ বৰুৱা



অভিনেতা পল ফুকন



आज़ादी का अमृत महोत्सव
Govt. of Assam
slac
অসমৰ মাননীয় মুখ্যমন্ত্ৰী
ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ সফল তথা
সাহসী নেতৃত্বত অসমৰ অপ্ৰতিৰোধ্য উন্নয়ণৰ
নতুন দিগন্তৰ পথ ত্বৰান্বিত কৰিছে
শশাঙ্ক দাস সোঁৱৰণী
“ৰূপালীম” একাঙ্কিকা নাট
প্ৰতিযোগিতাখনলৈ
সফলতাৰ কামনাৰে
ৰাজ্যিক পৰ্যায়ৰ পৰামৰ্শদাতা সমিতি
ছাত্ৰ আৰু যুৱ কল্যাণ,
অসম চৰকাৰ



CRITICAL CARE
HOSPITALS
PEH-2021-1527
Critical Care Group of Hospitals
(A Unit of Manashi Medi Equipments Pvt. Ltd)
OUR HOSPITALS
GUWAHATI
Critical Care Hospital & Research Institute
(+91) 7637013666 / (+91) 7637013667
NH-37, Lokhra Chariali, Guwahati-781040
GOALPARA
Critical Care Superspeciality Hospital
(+91) 7099061444 / (+91) 7099062444
Chandaria Pathar, Baladmari, Agia Road, Near Satsang Vihar, Goalpara-783121
OUR DEPARTMENTS
CRITICAL CARE MEDICINE
GASTROENTEROLOGY
NEUROSURGERY
NEUROLOGY
UROLOGY
CARDIOLOGY
INTERNAL MEDICINE
INTENSIVE CARE UNIT
OBSTETRICS & GYNAECOLOGY
PEDIATRICS & NEONATOLOGY
GENERAL & LAPAROSCOPIC SURGERY
ORTHOPEDICS
ENT
PSYCHIATRY
ORAL & MAXILLOFACIAL SURGERY
RADIOLOGY
CLINICAL LABORATORY
PHYSIOTHERAPY & REHABILITATION
WE ARE EMPANELLED WITH
ATAL AMRIT ABHIYAN
ATAL AMRIT
AYUSHMAN BHARAT
Central Government Health Scheme
CGHS
ESIC
NIPER
AYUSHMAN CAPF
FCI
TATA AIG INSURANCE
TATA AIG
FHPL
FHPL
STAR Health Insurance
STAR HEALTH
SBI general
SURAKSHA AUR BHAROSA DONO
SBI GENERAL



GATE HOSPITAL
GATE HOSPITALS
গেট হস্পিতাল সদায় ৰাইজৰ সেৱাত
(A Unit of BPBR Hospitals PVT. Ltd.) :: ISO 9001:2015 CERTIFIED
SPECIALITY
CARDIAC CARE CENTRE
ADVANCED TRAUMA CENTRE
GASTRO CARE
UROLOGY DEPARTMENT
SPECIALITY
24x7
ADVANCED ACCIDENT, TRAUMA & EMERGENCY CENTRE
GATE HOSPITAL
Call us to know more
+91 98540 66646/47
+91 70026 09849
GATE HOSPITAL GUWAHATI
2 MATHGHARIA, MOTHER TERESA ROAD ZOO-NARENGI RD, GUWAHATI, ASSAM 781020
GATE DIAGNOSTIC CENTER HAJO
IN FRONT OF POLICE STATION PIN- 781102
GATE HOSPITAL HOJAI
THAKURBARI RD, NEAR SHANI TEMPLE, GOBINDA PALLY, HOJAI, ASSAM 782435
GATE HOSPITAL TEZPUR
MAJGAON, TEZPUR, ASSAM 784001



Awesome Assam
Department of Tourism
Kaziranga exists.
Untouched by civilization for over 100 years, Kaziranga National Park is a World Heritage Site, which is home to the Great One Horned Rhinoceros.
Once you visit Assam, it stays with you forever.
Like it did 100 years back.
ASSAM TOURISM DEVELOPMENT CORPORATION LTD. (A Govt. of Assam undertaking and ISO 9001:2015 certified organisation)
Asom Paryatan Bhawan (4th Floor), A. K. Azad Road, Paltanbazar, Guwahati – 8 Tel. +91- 361 2633654 / 2738620 Email: mdatdc@gmail.com
Websites: tourismcoporation.assam.gov.in, awesomeassam.org
/awesomeassam


এপেক্স বেংক
অসমৰ আপোন বেংক
The Assam Co-operative Apex Bank Limited
75 YEARS ANNIVERSARY
75 Years
of its Glorious Jouney, The Assam Co-operative Apex Bank extends sincere gratitude and thanks to the valued customers for their continuous support and co-operation.
Glimpses of some schemes and service of the bank
Fixed Deposit
Savings Deposit
More interest rate for senior Citizens.
Daily Deposit scheme.
Recurring Deposit with attractive interest rate.
Zero balance Salary Account with other benefits
Vahicle loan, House loan, Mortgage loan, Personal loan etc at attractive interest rate.
Loan for Agriculture and other allied activities.
KCC loan @ 7% (Annually).
SHG, JLG, NRLM, NULM.
Rupay Debit cum ATM Card.
POS, E-Com, SMS, RTGS
NEFT, PFMS, DBT, NACH etc.
APY, PMJJBY, PMSBY
No hidden cost, terms & conditions apply.
Head Office : Panbazar, Guwahati-781001
Ph : (0361) 2545092/2515013
Website : www.apexbankassam.com


অসম মীন উন্নয়ন নিগম
Assam Fisheries Development Corporation Ltd.
(A Govt. of Assam undertaking)
VIP Road, Chachal, Guwahati-36
Hon'ble Chief Minister, Assam
Assam Fisheries Development Corporation (AFDC) Ltd. is one of the Public Sector Unit of Govt. of Assam. The Corporation was established in 1977 with an objective to uplift the Socio-Economic conditions of SC Fisherman Community of Assam. Since Inception the AFDC Ltd. has been taking various activities for the development of Wetland/Beel Fisheries of the state alongwith improvement of livelihoods of actual fisherman communities of the state.
Assam Fisheries Development Corporation Limited has developed 50 nos of beel fisheries from 2019-20 with its own fund.
Quality fish seeds is the prime inputs for a successful aquaculture and Assam is lacking behind in producing quality fish seeds. So, to achieve, Assam Fisheries Development Corporation Limited has established Central Seed Bank atGorjan-BulatjanBeel,Hajo, Kamrupdistrict with a projected production of 20 crore nos. per year.



www.facebook.com/jettwingsbschool/
JBS
JETTWINGS BUSINESS SCHOOL- GUWAHATI
Affiliated to Gauhati University, Approved by Govt. of Assam
5 Star SMART
Accredited-AASSC
Affiliated Campus
BBA
B.COM in
HR/Marketing/Accounts/
Finance
BBA
PGDBA in
Aviation, Hospitality &
Tourism Management
Eligibility
10+2 (Any stream)
PLACEMENT
97%
RECORD
For Counselling and Admissions
99540 90900/ 97060 30030
www.jettwingsbschool.com
Chenikuthi Hillside, Nabagraha Road, Uzan Bazar,
Guwahati - 781003
A unit of :
JettWings
GROUP OF INSTITUTES


পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
অসম চৰকাৰ
"জনমনৰেগা"
এমজিএনৰেগা সন্দৰ্ভত নাগৰিককেন্দ্ৰিক মোবাইল এপ্
Mahatma Gandhi NREGA
Ministry of Rural Development, Govt. of India
জনমনৰেগা এপ হৈছে নাগৰিকৰ সুবিধাৰ্থে তৃণমূল পৰ্যায়ৰ পৰা তথ্য আদান-প্ৰদান কৰিব পৰা এটা বিশেষ এপ, যিয়ে এমজিএনৰেগা সন্দৰ্ভত নাগৰিকক অধিক সজাগ কৰিব আৰু এমজিএনৰেগাৰ কাৰ্যসূচীবোৰ স্বচ্ছভাৱে সম্পন্ন হোৱাটো নিশ্চিত কৰিব
এই ম'বাইল এপটোত সমগ্ৰ ভাৰতৰ এমজিএনৰেগা সম্পৰ্কীয় কাৰ্যসূচীসমূহৰ ৰূপায়ণ আৰু ইয়াৰ অগ্ৰগতিৰ সঠিক তথ্য উপলব্ধ থাকিব আৰু ব্যৱহাৰকাৰীয়ে সেই তথ্য আঙুলিৰ মূৰতে লাভ কৰিবলৈ সক্ষম হ'ব
'জনমনৰেগা' এপটো গুগল প্লে' ষ্টোৰৰ পৰা ডাউনলোড কৰক আৰু ইয়াৰ ব্যৱহাৰেৰে উপকৃত হওঁক
rural.assam.gov.in
@RuralAssam
@RuralAssam
@pnrd_assam
১৮০০ ১২৩২ ৩৫৬০ ০

## PSU BUSINESS

**ASTC provided Vehicles to ONGC, OIL India and BCPL 174 Nos.**





❖Conferred with Silver Skoch Award under transport category for service offering to PSUs.



❖An MoU has been signed between ASTC and Guwahati Smart City Limited on 31-03-2022.

❖As per MoU GSCL will assist ASTC in Procurement of 200 Nos. Electric buses and develop the charging and allied infrastructure for operation.



❖ASTC Played a pioneer role in adoption of CNG in Assam, MoU has been signed on 22nd March 2022 between ASTC and Purba Bharati Gas Pvt. Ltd. (Joint Venture of AGCL, OIL and GAIL) for setting up CNG filling stations.

❖This can cater to the demand of the 100 CNG Buses to be operated in Guwahati soon and for future purposes.





❖Uberization Scheme has been a success in Assam. Under this Scheme beneficiaries are provided financial assistance for procuring buses.

❖Uberization is almost completed during the last one year. Out of the total earmarked amount of Rs. 25 Crores Rs.23.1518703.00 (93%) has already been disbursed.

❖273 Nos of buses have been provided out of which 177 Nos has already been rolled out.





❖ **Installation of Digital Gate at ISBT Guwahati**

## FUTURE VISION

- ❖ Land Asset Monetization.
- ❖ Logistics for parcel/goods carriage service.
- ❖ Proposal for developing EV charging station.
- ❖ Setting up of more Retail Outlets
- ❖ Setting up CNG stations, promoting CNG.
- ❖ Automatic Testing Station (ATS) with support of MoRTH and State Govt.
- ❖ Introduction of ITMS.
- ❖ Inclusion of more private operated buses under the uberization scheme.
- ❖ Modern bus station in different ASTC premises.